# ঝংকাৰ

## (প্ৰথম ভাগ)

## (প্ৰথম শ্ৰেণীৰ বাবে)

H9G3X6

বিনামূলীয়া পাঠ্যপুথি



বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ

# ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR Code ব্যৱহাৰ কৰিব ?

DIKSHA





আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in টাইপ কৰক আৰু tap button স্পৰ্শ কৰক ।

অথবা




Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক

## মোবাইলত QR Code ব্যৱহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি



1. অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক
2. আপোনাৰ ভূমিকা বাছনি কৰক- ছাত্ৰ/ শিক্ষক/অন্য
3. QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক
4. প্ৰৱেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক
5. পাঠ্যপুথিৰ QR Codeত Camera কেন্দ্ৰীভূত/ দৃষ্টিপাত (Focus) কৰক
6. QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক

## Desktop অত QR Code ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি




QR Codeৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব



আপোনাৰ ব্ৰাউজাৰত https://diksha.gov.in/as/get টাইপ কৰক




৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক



উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক

# ঝংকাৰ

## প্ৰথম ভাগ

## (পাঠ্য তথা অনুশীলন পুথি)

## (প্ৰথম শ্ৰেণীৰ বাবে)

H9G3X6

নাম ..........................................................................................

শ্ৰেণী..................... শাখা ........................... ৰোল নং .....................

বিদ্যালয় ................................................... শিক্ষাবৰ্ষ ........................

প্ৰস্তুতকৰ্তা

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**JHANKĀR: PRATHAM BHĀG:** An integrated text-cum-workbook for Class-I, in Assamese, developed and reviewed by SCERT, Assam through workshops and approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Ltd. on behalf of Government of Assam.

**Free Textbook**

---

**All Rights Reserved :** No reproduction in any form of this book, in whole or in part may be made without written authorization from SCERT, Assam.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০২৩

দ্বিতীয় প্ৰকাশ ঃ ২০২৪

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰক ঃ অনুৰাগ প্ৰিণ্টাৰ্ছ
গুৱাহাটী-৩৫

**ডাঃ ৰনোজ পেগু,** এম. বি. বি. এছ
মন্ত্ৰী, অসম

সত্যমেৱ জয়তে

শিক্ষা, ভৈয়াম জনজাতি আৰু
পিছপৰা শ্ৰেণী কল্যাণ বিভাগ



# শুভেচ্ছাবাণী...

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্য্যন্ত সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমবেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপ্‌টপ্‌' বা তাৰ বিনিময়ত আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দুৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পৱিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছো। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলো।

(ডাঃ ৰনোজ পেগু)
শিক্ষামন্ত্ৰী, অসম

# পাতনি

শিক্ষাৰ গুণগত মান উন্নয়নৰ লক্ষ্যৰে ‘ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম’-এ ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ আৰু ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা, (বুনিয়াদী স্তৰ) ২০২২ ৰ আধাৰত নতুন শিক্ষাবৰ্ষ ২০২৪-২৫ ৰ পৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ পাঠ্যপুথিসমূহ ন-কৈ প্ৰস্তুত কৰি উলিয়াইছে। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথিকেইখন ক্ৰমে ঝংকাৰ (প্ৰথম ভাগ), ঝংকাৰ (দ্বিতীয় ভাগ) নামেৰে নামকৰণ কৰা হৈছে। নতুন শৈক্ষিকবৰ্ষত বিভিন্ন নতুন বিষয়বস্তুৰ সংযোজনেৰে পাঠ্যপুথিকেইখনক নতুন ৰূপ দিয়াৰ চেষ্টা কৰা হৈছে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ লগত সংগতি ৰাখি পাঠৰ বিষয়বস্তু নিৰ্বাচন কৰাৰ লগতে আনুষংগিক বিভিন্ন ক্ৰিয়া-কলাপ অন্তৰ্ভুক্ত কৰা হৈছে। শিশুসকলৰ জীৱনযোৰা বিকাশৰ প্ৰাথমিক বৰ্ষসমূহত সহায়ক হোৱাকৈ পাঠ্যপুথিকেইখন প্ৰস্তুত কৰা হৈছে। শিশুৰ মানসিক স্তৰৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ যোগ্যতা তথা বৌদ্ধিক প্ৰয়োজনৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা হৈছে।

পাঠ্যপুথিখন প্ৰস্তুত কৰোঁতে বিশেষভাৱে মূল্যবোধৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা হৈছে। মূল্যবোধৰ শিক্ষাৰ বাবে বিভিন্ন সাধুকথা, গীত-মাত, পদ্যৰ ব্যৱহাৰ কৰা হৈছে, যি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক জগতখনৰ বিকাশ হোৱাত যথেষ্ট সহায় কৰিব। লগতে পাঠ্যপুথিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক আনন্দ প্ৰদানৰ বাবে বিভিন্ন কলা সমন্বিত আৰু ক্ৰীড়া সমন্বিত বিষয় সন্নিৱিষ্ট কৰা হৈছে। ই ছাত্ৰ-ছাত্ৰীক শিকনৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধনতো সহায় কৰিব।

প্ৰতিটো পাঠৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সুবিধা হোৱাকৈ QR Code (Quick Response Code) পাঠ্যপুথিকেইখনত উপলব্ধ হৈছে।

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT), অসমক পাঠ্যপুথি প্ৰস্তুতকৰণত সহায় সহযোগিতা কৰা প্ৰতিগৰাকী শৈক্ষিক বিষয়া তথা সমলব্যক্তি, বিষয়-বিশেষজ্ঞ, কলা-কুশলী আৰু কৰ্মকৰ্তাক এই ছেগতে SCERT ৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেওঁলোকৰ প্ৰত্যক্ষ বা পৰোক্ষ সহযোগ যথেষ্ট আদৰণীয়। লগতে পাঠ্যপুথি প্ৰস্তুতকৰণত সহযোগ কৰা Language and Learning Foundation (LLF)ক আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌশেষত, সদাশয় শিক্ষাপ্ৰেমী ৰাইজে পাঠ্যপুথিত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটি তথা আসোঁৱাহসমূহ দূৰ কৰাত ইতিবাচক পৰামৰ্শ আগবঢ়াব বুলি আশা কৰিলোঁ।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

# শিক্ষকলৈ দু-আষাৰ

প্ৰিয় শিক্ষক-বন্ধুসকল,

আমি আটায়ে জ্ঞাত যে, ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ এ শিশুৰ শিক্ষাৰ ক্ষেত্ৰত ভাষা আৰু সাক্ষৰতাৰ বিকাশৰ বাবে অত্যন্ত গুৰুত্ব প্ৰদান কৰিছে। ভাষা আৰু সাক্ষৰতাৰ সুদৃঢ় ভেটিয়ে শিশুৰ অন্যান্য বিষয় শিকনৰো ভেটি গঢ়ি দিয়ে বুলি বিশ্বাস কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ত বুনিয়াদী স্তৰত শিশুৰ ভাষা বিকাশৰ লগতে নিৰন্তৰ শিকন, সমস্যা সমাধান, যুক্তিসংগত আৰু সৃষ্টিশীল চিন্তাৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। এই পৰ্যায়ত জাতীয় পৰম্পৰা, সাংস্কৃতিক মূল্যবোধ, চৰিত্ৰ গঠন, নৈতিকতা, পৰিৱেশৰ প্ৰতি সংবেদনশীলতাক ভাষাৰ লগতে অন্যান্য বিষয় আৰু ক্ৰিয়া-কলাপত একত্ৰিত কৰাটোও বাঞ্ছনীয়।

'ঝংকাৰ'-প্ৰথম ভাগ পাঠ্যপুথিখন প্ৰস্তুত কৰাৰ সময়ত তলত উল্লেখ কৰা দিশসমূহ মনত ৰখা হৈছে —

- পঢ়া-শুনা আৰম্ভ কৰিবলৈ শিশুৰ জীৱনৰ লগত জড়িত বস্তুবোৰ যেনে—শিশুৱে চৌপাশে দেখি থকা বস্তু, জীৱ-জন্তু, চৰাই-চিৰিকটি, ঘৰুৱা পৰিৱেশত শুনি থকা শব্দ, গীত, মাত, সাধুকথা আদিক মৌলিক ভিত্তি হিচাপে লোৱা হৈছে যাতে এই প্ৰক্ৰিয়াটো সহজ আৰু অৰ্থপূৰ্ণ হৈ পৰে।
- ভাষা আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ যিয়ে আমাক যোগাযোগৰ লগতে চিন্তা, বুজাবুজি, প্ৰশ্ন কৰা ইত্যাদিত সহায় কৰে। এই পাঠ্যপুথিখনত নিজৰ ভাষাত মত-বিনিময় কৰিবলৈ, শুনি থাকোঁতে কিবা এটা কৰিবলৈ, পদ্য উপভোগ কৰিবলৈ, শব্দ আৰু পাঠোদ্ধাৰৰ সৈতে খেলা কৰিবলৈ, শিল্প-সংগীতৰ সৈতে জড়িত ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিবলৈ বহুতো সুযোগ প্ৰদান কৰে। বিভিন্ন প্ৰেক্ষাপটত বাৰে বাৰে এই সুযোগবোৰ প্ৰদান কৰিবলৈ ১০ টা অধ্যায় বাছনি কৰা হৈছে যিবোৰ শিশুৰ জীৱনৰ লগত জড়িত, যেনে- খেলা-ধূলা, পৰিয়াল, চৌপাশ, প্ৰকৃতি, খাদ্য, স্বাস্থ্য আৰু সুস্থতা, উৎসৱ-পাৰ্বন, সংস্কৃতি, যাতায়াত আৰু যোগাযোগ আৰু বতৰ। এই ১০ টা প্ৰসংগৰ ভিত্তিত ১০ টা অধ্যায় সজোৱা হৈছে।
- প্ৰতিটো পাঠতে একাধিক দক্ষতা বিকাশৰ বাবে ব্যৱস্থা লোৱা হৈছে। শিশুৰ দৃষ্টিকোণৰ পৰা পাঠবোৰ আকৰ্ষণীয় কৰি তুলিবলৈ ক্ৰিয়া-কলাপসমূহ বৈচিত্ৰ্যময় কৰাৰ প্ৰয়াস কৰা হৈছে। প্ৰতিটো পাঠৰ শেষত পাঠটো সামৰি লোৱা মূল শিকন ফলাফলসমূহ অন্তৰ্ভুক্ত কৰাৰ লগতে পুনৰালোচনাৰ বাবে ক্ৰিয়া-কলাপ দিয়া হৈছে।
- প্ৰতিটো অধ্যায়তে আখৰ আৰু স্বৰচিহ্নসমূহ ভাগ কৰি শিকোৱাৰ বাবে ক্ৰিয়া-কলাপ দিয়া হৈছে।
- ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ কাঠামো ২০২২ অনুসৰি ভাষা শিকিবলৈ আৰু শিকাবলৈ ভাষা-শিক্ষাৰ চাৰিটা স্তম্ভৰ ভিত্তিত কাম কৰা হৈছে। এই চাৰিটা স্তম্ভ হ'ল মৌখিক ভাষাৰ বিকাশ, পাঠোদ্ধাৰ, পঠন আৰু লিখন।

**মৌখিক ভাষাৰ বিকাশ** — মনোযোগেৰে শুনা, বুজা, মৌখিক শব্দভাণ্ডাৰ বিকাশ কৰা আৰু নজনা কথা শিকিবৰ বাবে সমনীয়া, শিক্ষক, অভিভাৱক বা অন্য লোকৰ সৈতে কথোপকথন আৰু আলোচনাত ভাগ লোৱা।

**পাঠোদ্ধাৰ** — ইয়াৰ ভিতৰত ছপা সজাগতা আৰু ধ্বনি সজাগতা, চিহ্ন আৰু শব্দৰ সম্পৰ্ক স্থাপন, লিখিত শব্দ চিনাক্তকৰণ আৰু শব্দ লিখা আদি অন্তৰ্ভুক্ত।

**পঠন** — লিখিত বিষয় পঢ়ি বুজি পোৱা আৰু ইয়াৰ বিষয়ে বিশ্লেষণাত্মকভাৱে চিন্তা কৰা।

**লিখন** —আখৰ আৰু শব্দবোৰ শুদ্ধকৈ লিখাৰ ক্ষমতা আহৰণৰ লগতে ধাৰণা বা তথ্যৰ যুক্তিযুক্ত

আৰু সংগঠিত পদ্ধতিৰে লিখিত ৰূপত উপস্থাপনৰ প্ৰয়াস কৰা।

এই পাঠ্যপুথিখনত প্ৰতিটো অধ্যায়ৰ আশে-পাশে নিৰ্বাচন কৰা পাঠ তথা ক্ৰিয়া-কলাপসমূহ এই চাৰিটা স্তম্ভত তলত দিয়া ধৰণে ভাগ কৰা হৈছে-

**মৌখিক ভাষাৰ বিকাশ ঃ-** কিতাপখনৰ বিভিন্ন অংশ আছে, যেনে 'ছবি চাই কথা পাতোঁ আহা', 'শুনো আহা', 'গাওঁ আহা', 'কওঁ আহা' এই সকলোবোৰৰ মূল উদ্দেশ্য হৈছে শিশুৰ মৌখিক ভাষাৰ বিকাশ কৰোৱা। মন কৰিব যে, শুনিবলৈ, কথা পাতিবলৈ বা গাবলৈ দিয়া পাঠ, সাধু বা পদ্যসমূহ বৰ্ণ বা যুক্তাক্ষৰৰ পৰিচয় কৰোৱাৰ ওপৰত নিৰ্ভৰশীল নহয়।

**পাঠোদ্ধাৰ ঃ-** পাঠ্যপুথিখনত আখৰসমূহ শিকিবৰ বাবে ধ্বনি সজাগতা, চিহ্ন আৰু ধ্বনিৰ মাজৰ সম্পৰ্ক, স্বৰচিহ্নৰ ধ্বনি আৰু চিহ্নৰ ব্যৱহাৰ, লিখিত বৰ্ণ, আখৰ আৰু শব্দ চিনি পোৱা আৰু পঢ়ি লিখিব পৰা আদি ক্ৰিয়া-কলাপ অন্তৰ্ভুক্ত কৰা হৈছে।

**পঠন ঃ-** সাৱলীল পঠনৰ দক্ষতা আহৰণ কৰোৱাবলৈ বৰ্ণ-পৰিচয়, শব্দ, বাক্য আদি পঢ়া ক্ৰিয়া-কলাপসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি ছবি চাই পঢ়া আৰু সাধু শুনাৰ সময়ত শিশুৱে গল্পৰ ছবিবোৰ চাই, কাহিনী শুনাৰ পিছত কথা পাতি, ছবি আকাৰত শব্দবোৰ বুজি, কিছুমান প্ৰশ্নৰ উত্তৰ দি অনুমান কৰি 'পঢ়া মানে অৰ্থ সৃষ্টি'ৰ ধাৰণাটো কৰিব পাৰিব। বিভিন্ন পাঠত সাৱলীল পঠনৰ বাবে দিয়া শব্দ, বাক্য বা দফাসমূহ ইতিমধ্যে শিকোৱা বৰ্ণ, স্বৰচিহ্নসমূহৰ আধাৰত ভিত্তি কৰিহে দিয়া হৈছে।

**লিখন ঃ-** আমি সকলোৱে জানো যে ছবিৰ পৰা লিখা আৰম্ভ হয় আৰু তাৰ পাছত ছবিৰ পৰা শিশুৱে ক্ৰমান্বয়ে শব্দ আৰু বাক্য লিখিবলৈ আৰম্ভ কৰে। শিশুসকলে যাতে ছবিৰ জৰিয়তে নিজৰ অভিজ্ঞতা আৰু চিন্তা প্ৰকাশ কৰিব পাৰে তাৰ প্ৰয়াস কৰা হৈছে। আখৰ এটা চিহ্নৰূপত লিখিব পৰা আৰু তাক ধ্বনিটোৰ লগত সংযোগ স্থাপন কৰিব পৰা কাৰ্যৰ পৰা আখৰ সংযোগ কৰি শব্দ লিখা, ছবি চাই শব্দ লিখা আদি ক্ৰিয়া-কলাপ অন্তৰ্ভুক্ত কৰা হৈছে। এই সকলোবোৰৰ লগত শিক্ষকৰ সহায় জড়িত হৈ আছে।

এই পাঠ্যপুথিখনত দহটা অধ্যায়ক কেন্দ্ৰ কৰি পঠন, লিখন, শব্দ চিনাক্তকৰণ আৰু কথোপকথন বিভিন্ন মাত্ৰাত সামৰি লোৱা হৈছে। পাঠ্যপুথি এখন পাঠদান বা শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ এক আহিলা আৰু মাধ্যমহে। শিশুসকলক শ্ৰেণীকোঠাৰ চাৰিওফালে থকা প্ৰকৃতিৰ বিষয়ে সচেতন কৰিবলৈ পাঠ্যপুথিখন ব্যৱহাৰ কৰাৰ আৰু লগতে তেওঁলোকে স্বতন্ত্ৰভাৱে অন্বেষণ কৰি শিকিবলৈ যাতে উপযুক্ত পৰিৱেশ পায়, সেই ক্ষেত্ৰত লক্ষ্য ৰাখিব। আপোনালোকক অনুৰোধ কৰা হৈছে যাতে তেওঁলোকে নিজৰ মনৰ কথা প্ৰকাশ কৰিবলৈ সুযোগ পায়। এই ক্ষেত্ৰত ভুল-ভাল বিচাৰ নকৰাকৈ শিশুৰ সৈতে কথোপকথনত লিপ্ত হোৱাটো অত্যন্ত জৰুৰী।

পাঠ্যপুথিখনত থকা ওমলা গীত, নিচুকনি গীত, সাধুকথা, কাহিনী আদিৰ উপৰি স্থানীয় প্ৰচলিত গীত-মাত কাহিনী আদি সংগ্ৰহ কৰি অনুশীলন কৰোৱাব। শিক্ষকে শিশুৰ সৈতে প্ৰদত্ত পাঠদান-সামগ্ৰী অতি আকৰ্ষণীয় আৰু ফলপ্ৰসূভাৱে তৈয়াৰ কৰি ল'ব পাৰে। ইয়াত মাত্ৰ কিছুমান পৰামৰ্শহে দিয়া হ'ল। আমি আশা কৰোঁ যে আপুনি আপোনাৰ শ্ৰেণীকোঠাত বৈচিত্ৰ্য উপভোগ কৰিব। শিশুৰ প্ৰসংগ অনুসৰি আখৰৰ খেল, গীত, কবিতা আৰু গল্প অন্তৰ্ভুক্ত কৰিব। বিভিন্ন সমলৰ সহায়ত শ্ৰেণীটোক অধিক আকৰ্ষণীয় কৰি তুলিব।

আখৰ-জোঁটনিৰ ক্ষেত্ৰত বিশেষকৈ 'চন্দ্ৰকান্ত অভিধান' আৰু 'অসমীয়া হেমকোষ'কে আধাৰ স্বৰূপে গ্ৰহণ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰিব।

# ক্ৰিয়া-কলাপত ব্যৱহাৰ হোৱা প্ৰতীক-চিহ্নসমূহ

  লিখোঁ আহা, শব্দ গঠন কৰা, ছবিৰ নাম পূৰ কৰা, চাই চাই লিখা,
✓ চিন দিওঁ আহা, আঁচ টানি মিলোৱা।

 শুনো আহা।

 আঁকা, আঁকো আহা, ৰং দিয়া, ছবি সম্পূৰ্ণ কৰা।

 কওঁ আহা/কোৱা, গাওঁ আহা/গোৱা।

 পঢ়োঁ আহা, পঢ়া।

 অভিনয় কৰোঁ আহা, খেলোঁ আহা।

# সূচীপত্ৰ


অধ্যায় ১ ঃ আমাৰ খেল ১২—২৩

পাঠ ১ ঃ উকুলি-মুকুলি

পাঠ ২ ঃ বৰষুণত খেল

অধ্যায় ২ ঃ আমাৰ পৰিয়াল ২৪—৩৭

পাঠ ১ ঃ জেউতি

পাঠ ২ ঃ কণ্টকৰামৰ বুধি

অধ্যায় ৩ ঃ আমাৰ চৌপাশ ৩৮—৫১

পাঠ ১ ঃ কুকুৰা আৰু হাঁহ

অধ্যায় ৪ ঃ আমাৰ সংস্কৃতি ৫২—৬৫

পাঠ ১ ঃ ৰংমনৰ ঢোল

পাঠ ২ ঃ জোনবাই এ’ এটি তৰা দিয়া

অধ্যায় ৫ ঃ আমাৰ খাদ্য ৬৬—৭৬

পাঠ ১ ঃ খিচিৰিৰ সোৱাদ

পাঠ ২ ঃ শিয়াল আৰু বগলী

অধ্যায় ৬ ঃ স্বাস্থ্য আৰু সুস্থতা ৭৭—৮৯
পাঠ ১ ঃ মিনুহঁতৰ পাকঘৰ
পাঠ ২ ঃ নাজিয়াৰ দৈনিক কাম

অধ্যায় ৭ ঃ আমাৰ প্ৰকৃতি ৯০—৯৮
পাঠ ১ ঃ মাটিৰ পুতলা
পাঠ ২ ঃ বৰষুণ

অধ্যায় ৮ ঃ বতৰৰ কথা ৯৯ —১১১
পাঠ ১ ঃ বতৰৰ কথা
পাঠ ২ ঃ বেলি আৰু বতাহ


অধ্যায় ৯ ঃ যাতায়াত আৰু যোগাযোগ ১১২—১২৮
পাঠ ১ ঃ জোনলৈ যাওঁ ব'লা
পাঠ ২ ঃ নাৱেৰে যাত্ৰা


অধ্যায় ১০ ঃ মেলা আৰু উৎসৱ ১২৯—১৪০
পাঠ ১ ঃ ৰতনপুৰৰ মেলা
পাঠ ২ ঃ বিহু

অধ্যায় ১

# আমাৰ খেল

ছবি চাই কথা পাতোঁ আহা—





**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছবিখন দেখুৱাই সমূহীয়াভাৱে আৰু দলগতভাৱে কথোপকথন বা আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্নসমূহৰ অৱতাৰণা কৰিব, যেনে- ক) 'ছবিখনত কি কি খেল দেখিছা?' খ) 'এই খেলবোৰ কোনে ক'ত খেলি আছে?' গ) 'বলটো লৈ গৈ থকা ল'ৰাজনে গ'ল দিব পাৰিবনে?' ঘ) 'দৌৰি থকা ল'ৰা-ছোৱালীবোৰৰ কোন কোন প্ৰথম, দ্বিতীয় আৰু তৃতীয় হ'ব?' ঙ) 'কি খেল খেলি তোমালোকে বেছি ভাল পোৱা? সেই খেলবোৰ খেলোঁতে কিবা নিয়ম মানি চলা নেকি?'। শিকাৰুক প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ উৎসাহিত কৰিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

ক্ৰিয়া-কলাপ—

কি খেলিছে, কওঁ আহা—













ৰং বোলাওঁ আহা—



পাঠ - ১

গাওঁ আহা —

# উকুলি মুকুলি

উকুলি মুকুলি কুকুলিকে খেলা
মন যদি ডাৱৰীয়া
মুকলিলে ব'লা
কুক-ভা খেলোঁ অ'।



**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীসকলক গীতটো তথ্য-প্ৰযুক্তিৰ সহায়ত শুনাব আৰু সুৰত গাবলৈ উৎসাহিত কৰিব। শিকাৰুৱে খেলোঁতে কি কি ধৰণৰ গীত গায় সেইবোৰৰ লগতে স্থানীয় খেল-গীত গোৱাৰ বাবে উৎসাহিত কৰিব।


বিঃদ্ৰঃ ওপৰৰ গীতফাকি দিলীপ কুমাৰ দত্তৰ দ্বাৰা সম্পাদিত 'নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী' ( পৃষ্ঠা নং - ১৬৬, দ্বিতীয় তাঙৰণ, জানুৱাৰী, ২০১৬) গ্ৰন্থৰ 'উকুলি মুকুলি' গীতটোৰ পৰা তুলি দিয়া হৈছে।

## ক্ৰিয়া-কলাপ—

ব

লগে-ভাগে গাওঁ আহা —


**ব**গাকৈ **ব**গলী **ব**হলাই **ব**হিছে
**ব**লুকাত বিয়লি বেলা,
**ব**কুল বাগৰিছে **বব**চা **ব**নতে
বুটলি বিলাওঁগৈ ব'লা।



তলৰ ছবিবোৰৰ নামৰ প্ৰথম ধ্বনি কওঁ আহা —

ব







তলৰ শব্দবোৰ শুনো আৰু প্ৰথম ধ্বনি কওঁ আহা —

বগা　বৰল　বন

বগৰী　বৰফ　বজাৰ　বছৰ

ফুটবোৰ লগ লগাই আখৰ লিখোঁ আহা —



লিখোঁ আহা —

ব


---

**শিক্ষকলৈ নিৰ্দেশনা ঃ** এই পাঠটোত শিকাব বিচৰা আখৰেৰে শিকাৰুৱে জনা আন আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব। লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

বিঃদ্ৰঃ- ওপৰৰ পদ্যফাকি 'কুঁহিপাঠ' (প্ৰথম ভাগ, একাদশ তাঙৰণ, ১৯৯৭) ৪৪ নং পৃষ্ঠাত থকা 'জিভা-কেঁকুৰি'ৰ পৰা তুলি দিয়া হৈছে।

লগে-ভাগে গাওঁ আহা—


কণমান যাব  
ককাৰ লগত  
কিনিবলে’ কিবা কিবি;  
কিবাকিবিবোৰ কিনো হ’ব পাৰে  
চাবাচোন বাৰু ভাবি।



ক

তলৰ ছবিবোৰৰ নামৰ প্ৰথম ধ্বনি কওঁ আহা —

ক








তলৰ শব্দবোৰ শুনো আৰু প্ৰথম ধ্বনি কওঁ আহা —

| | | | |
|---|---|---|---|
| কচু | কণী | কলহ | কৰত |
| কঠ | কমলা | কপাল | কটাৰী |

ফুটবোৰ লগ লগাই আখৰ লিখোঁ আহা —



লিখোঁ আহা —

ক

বিঃদ্ৰঃ ওপৰৰ পদ্যফাকি থানেশ্বৰ মালাকাৰ আৰু অনুভৱ পৰাশৰৰ দ্বাৰা সম্পাদিত গগন চন্দ্ৰ অধিকাৰীৰ ‘শিশু সাহিত্য সমগ্ৰ’ (সংস্কৰণ - ২০১৮ ইং চন) গ্ৰন্থৰ ২৯৩ নং পৃষ্ঠাত থকা ‘কিবাকিবি’ নামৰ কবিতাটোৰ পৰা তুলি দিয়া হৈছে।

## পাঠ - ২

শুনো আহা —

বৰষুণত খেলি তোমালোকে ভাল পোৱানে? বন্ধৰ দিনত বৰষুণত খেলি থাকোঁতে ৰাজাহঁতৰ কি হ'ল, শুনো আহা —

# বৰষুণত খেল



আজি বন্ধৰ দিন।
ৰাজা, কানাই আৰু থেংছিয়ে
বেট-বল লৈ পথাৰ পালেগৈ।
এনেতে কিন্‌কি্‌কৈ এজাক
বৰষুণ আহিল। লাহে লাহে
বৰষুণ বাঢ়ি আহিল।



সেয়ে সিহঁতে কাষৰ চালিঘৰটোতেই খেলিবলৈ ধৰিলে। থেংছিয়ে বলটো জোৰেৰে মাৰি দিলে। বলটো পথাৰৰ মাজ পালেগৈ।

বলটো আনিবলৈ কানাই লৰ মাৰি গ'ল। কানাই পিছলি পৰিল। 'ধুপুচ...'। তাক উঠাবলৈ ৰাজাই লৰ মাৰিলে। তাৰো ভৰি পিছলিল। আকৌ 'ধুপুচ...'



**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটো শিকাৰুৰ প্ৰয়োজন সাপেক্ষে একাধিকবাৰ পঢ়ি শুনাব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

ইটোৱে সিটোৰ ফালে চাই ঢেক্‌ঢেক্‌কৈ হাঁহিবলৈ ধৰিলে। তাৰ পাছত সিহঁতে বেট-বল সামৰি চালিঘৰৰ তল পালেগৈ।



**ক্ৰিয়া-কলাপ —**

**কওঁ আহা —**

ক) ৰাজাহঁতে কি খেলিবলৈ গৈছিল?

খ) কোনে বলটো জোৰেৰে মাৰি পঠিয়াইছিল?

গ) ৰাজা আৰু কানায়ে কিয় হাঁহিছিল?

ঘ) ৰাজাহঁতে চালিঘৰটোত কিয় খেলিবলৈ লৈছিল?

ঙ) থেংছিহঁতে শেষত পথাৰত কি কৰিব, নিজে ভাবি কোৱা।

চ ) বৰষুণৰ বতৰত তোমালোকে কি কি খেল খেলা?

ছ) তোমাৰ এনেধৰণৰ হাঁহি উঠা বা ভাল লগা ঘটনা এটা কোৱা।

**কোনটো কাম প্ৰথমতে কৰে সেই ছবিখনত (✓) দিওঁ আহা —**






**খৰকৈ কওঁ আহা —**


আদা ৰুলোঁ নুৰুলোঁ আলু
আলু ৰুলোঁ নুৰুলোঁ আদা ।

মৰমৰ মামাৰ মৰমী
মামাৰ মৰমৰ মামী।


**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটোৰ আধাৰত পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) আন আন সম্ভাব্য প্ৰশ্ন সুধিব। ঘটনাৰ পটভূমি আৰু কাহিনীৰ চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব।

কওঁ আহা—

আ ৰ ম



ফুটবোৰ লগ লগাই লিখোঁ আহা —




লিখোঁ আহা —

| | | | | | |
|---|---|---|---|---|---|
| আ | | ৰ | | ম | |


শিক্ষকলৈ নিৰ্দেশনা ঃ ছবিৰ নামত থকা ধ্বনিবোৰ হাতচাপৰি বজাই ভাগ কৰি ক'বলৈ দিব। উদাহৰণ- আলু- আ (হাতচাপৰি), লু- (হাতচাপৰি) — আলু।

## শুনো আৰু প্ৰথম ধ্বনি কওঁ আহা—

আ — া



মাছ



মাখি

শিক্ষকলৈ নিৰ্দেশনা ঃ ছবি দুখন দেখুৱাই ছবিৰ নামবোৰ ক'ব আৰু প্ৰথম ধ্বনিত জোৰ দিব।

| বা | মা | কা | ৰা |
|---|---|---|---|

*ইয়াত 'ব', 'ম', 'ক' আৰু 'ৰ'ৰ সৈতে আৰু কি ধ্বনি শুনিছা কওঁ আহা।*

*জানো আহা —*

*আ- ৰ পৰা আ-কাৰ 'া'*

*ব-ৰ লগত আ- কাৰ ( া) যোগ হৈ 'বা' হৈছে।*

## লিখোঁ আহা —



.........দাম



..............খি



.......ণ



......ছ



........ঘ



...........উৰী



.............হ



...........মধেনু

শিক্ষকলৈ নিৰ্দেশনা ঃ 'বা', 'মা', 'কা', 'ৰা' আখৰেৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব। শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

# শিকন ফলাফল

- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব; কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত /পদ্য গাব/আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰব পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত শিকাৰুৱে অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিববলৈ সক্ষম হ'ব।
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰ সৃষ্টি কৰি নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- ছবি আৰু পাঠৰ পৰা নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষা(R1, অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে শব্দ ভাঙি ধ্বনিবোৰ ক'ব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ (ব, ক, ৰ, ম, আ) আৰু স্বৰচিহ্ন আ-কাৰ (া) চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনি অনুধাৱন কৰিব পাৰিব।

# পুনৰালোচনা

## ছবিৰ নামৰ প্ৰথম ধ্বনিৰ সৈতে আঁচ টানি মিলোৱা —



ব    কা    ৰ    মা    আ




## ছবি চাই কি বুজিছা কোৱা —

তোমাৰ সমনীয়াক তুমি কি কি ধৰণেৰে সহায় কৰা?



## প্ৰথম আখৰটো লিখা —







## গোৱা —




**খেল খেল নানা খেল**

খেলোঁ আহা
খেলোঁ আহা
বল খেলোঁ আহা,
লুকা-ভাকু, খলিগুটি
আৰু ৰছী টনা।
ৰজা-ৰাণী, পাৰ-পানী
চেংগুটি খেল,
খেলি খেলি পাতোঁ আমি
অকণিৰ মেল।

## ছবিৰ নাম সম্পূৰ্ণ কৰা —




.........দাম ৰ........ৰ .......উৰী .......ছ

বিঃদ্রঃ ওপৰৰ 'খেল খেল নানা খেল' পদ্যটি 'অংকুৰণ' (প্ৰথম ভাগ, সংশোধিত সংস্কৰণ - ২০২২ ইং চন)ৰ ১ম পৃষ্ঠাৰপৰা তুলি দিয়া হৈছে।

# অধ্যায় ২

# আমাৰ পৰিয়াল

ছবি চাই কথা পাতোঁ আহা—





**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছবিখন দেখুৱাই সমূহীয়াভাৱে আৰু দলগতভাৱে কথোপকথন বা আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্নসমূহৰ অৱতাৰণা কৰিব, যেনে- ক) তোমালোকে ছবিখনত কি কি দেখিছা ? খ) ছবিত কোনে কি কাম কৰি আছে? গ) তোমালোকৰ ঘৰত কোন কোন আছে? ঘ) তোমালোকে ঘৰত কি কি কামত সহায় কৰা ? ঙ) ছোৱালীজনীয়ে কিয় হাঁহি আছে? শিকাৰুক প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ উৎসাহিত কৰিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

## পাঠ - ১

### গাওঁ আহা —



# জেউতি


মোৰ নাম জেউতি
কণ মোৰ ভাই,
তেওঁ মোৰ দেউতা
এওঁ মোৰ আই।
সৌৱা মোৰ আইতা
এয়া মোৰ ককা,
গাৰ ছাল শোটোৰা
ডাড়ি-চুলি পকা।
খুৰা হ'ল বাঢ়ৈ
পেহীয়ে বয় তাঁত,
খুৰীয়ে পাকঘৰত
বাঢ়ি দিয়ে ভাত।


**শিক্ষকলৈ নিৰ্দেশনা ঃ** পদ্যটো অংগ-ভঙ্গীৰে শিকাৰুৰ সৈতে গাব। শিকাৰুক অংগ-ভঙ্গীৰে গাবলৈ দিব। পদ্যটোৰ আধাৰত আলোচনা অনুষ্ঠিত কৰিব। আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্নসমূহৰ সহায় ল'ব, যেনে - ক) কণ কাৰ ভাই? খ) তোমাৰ ঘৰত কোন কোন আছে ? গ) তোমাৰ ঘৰৰ কোনে কি কাম কৰে? কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

বিঃ দ্ৰঃ ওপৰৰ পদ্যটো 'নতুন পাঠ'(দ্বিতীয় ভাগ, চতুৰ্থ তাঙৰণ, ২০২২)ৰ ২৪ নং পৃষ্ঠাৰ পৰা লোৱা হৈছে।


ক্ৰিয়া-কলাপ—

## জেউতিৰ পৰিয়াল


আইতা


ককা


ভাইটি


দেউতা



খুৰী


মা


পেহী



খুৰা

তোমাৰ পৰিয়ালত কোন কোন আছে কওঁ আৰু তেওঁলোকৰ ছবি বংশবৃক্ষত লগাওঁ আহা—



## কথা পাতোঁ আহা —

ল, এ, ন, ণ, অ, ে



ক) ছবিখনত কি কি দেখিছা ?

খ) ছবিখনত কোনে কি কৰিছে?

গ) মানুহজনে মোনাখনত কি আনিছে?


ঘ) সৰু ল'ৰা-ছোৱালী দুগৰাকী ক'লৈ যাবলৈ ওলাইছে?

ঙ) ছবিখনত দেখাৰ বাহিৰে তোমাৰ ঘৰত কোনে কি কাম কৰে কোৱা।

শিক্ষকলৈ নিৰ্দেশনা ঃ উল্লিখিত প্ৰশ্নসমূহৰ বাহিৰে শিকাৰুক ছবিখনৰ বিষয়ে কথা পাতিবলৈ দিব।


## ছবি চাই নাম কওঁ আহা —

ল  

অ  

এ  

## ফুটবোৰ লগ লগাই লিখোঁ আহা—



## লিখোঁ আহা—

অ

ল

এ

## শুনো আৰু খৰকৈ কওঁ আহা—

লাও পুলি লৰাই ৰুলোঁ
ৰুলোঁ লৰাই লফা
ঘূৰাই ঘূৰাই উৰাই ঘূৰাই
তাঘূৰ ঘূৰাই মাতা।



**শিক্ষকলৈ নিৰ্দেশনা ঃ** 'অ', 'ল' আৰু 'এ'-ৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

বিঃদ্রঃ- ওপৰৰ পদ্যফাকি 'কুঁহিপাঠ' (প্ৰথম ভাগ, একাদশ তাঙৰণ,১৯৯৭)৪৪ নং পৃষ্ঠাত থকা 'জিভা-কেঁকুৰি'ৰ পৰা তুলি দিয়া হৈছে।

# কণ্টকৰামৰ বুধি

তোমালোকে বাৰু কেতিয়াবা কেঁটেলাপহু দেখিছানে? কেঁটেলাপহুৰ গাত দীঘল দীঘল কাঁইট থাকে। এদিন এটা কেঁটেলাপহুৱে তাৰ মাক-দেউতাকৰ বাবে কিদৰে আহাৰ কঢ়িয়ালে শুনো আহাচোন—



এখন হাবিত এটা কেঁটেলাপহু আছিল। তাৰ নাম আছিল কণ্টকৰাম। এদিন তাৰ মাক-দেউতাকৰ অসুখ হ'ল। তেওঁলোকে তাক ফল-মূল আনি দিব নোৱৰা হ'ল। সেয়ে মাকে ক'লে— "হাবিৰ সিমূৰে এজোপা নাচপতি গছ আছে। তাৰে কেইটামান খাই আহগৈ যা।"



মাকৰ কথামতে সি নাচপতি খাবলৈ গ'ল। সি তলসৰা নাচপতি খাবলৈ লওঁতে তাৰ মাক-দেউতাকলৈ মনত পৰিল। সি এটা বুধি পাঙিলে।



সি তলসৰা নাচপতি কেইটামান এঠাইত গোটালে। এইবাৰ সি নিজৰ কাঁইটকেইডাল থিয় কৰি ল'লে। এক, দুই, তিনি বুলি সি ওলোটা খৰ মাৰিলে। চাৰিটা নাচপতি তাৰ কাঁইটত শালি ধৰিলে।

নাচপতিকেইটা লৈ সি কেঁকো-জেকোকৈ ঘৰলৈ গ'ল। মাক-দেউতাক আৰু সি নাচপতিকেইটা ভগাই খালে। মাকে ক'লে— "আমাৰ কণ্টকৰামৰ কাঁইটবোৰহে কোমল, বুধিটো হ'লে বৰ চোকা।"



## ক্ৰিয়া- কলাপ —

### কথা পাতোঁ আহা —

ক) কেঁটেলাপহুটোৰ নাম কি আছিল ?

খ) তাক মাকে কি খাবলৈ কৈছিল ?

গ) সি কিয় নাচপতি ঘৰলৈ লৈ গৈছিল ?

ঘ) কেঁটেলাপহুটোৱে নাচপতিবোৰ কেনেকৈ কঢ়িয়ালে ?

ঙ) তুমি নাচপতিকেইটা কেনেকৈ কঢ়িয়ালাহেঁতেন ?

চ) তোমাৰ পৰিয়ালৰ কাৰোবাৰ অসুখ হ'লে তুমি কিদৰে সহায় কৰা ?

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটোৰ আধাৰত পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) আন আন সম্ভাব্য প্ৰশ্ন সুধিব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

## অভিনয় কৰোঁ আহা —

**কণ্টকৰাম আৰু মাকৰ কথা-বতৰা —**

***মাক*** - বোপাই, হাবিৰ সিটো মূৰে এজোপা নাচপতি গছ আছে। তাৰে দুটামান নাচপতি খাই আহগৈ যা।



***কণ্টকৰাম*** - কিন্তু, তোমালোকে কি খাবা?

***মাক*** - আমাৰ গা ভাল পালেই আমি খামগৈ। এতিয়া তয়ে খাগৈ যা।

(কণ্টকৰামে ভাবিলে...)


***কণ্টকৰাম*** - এটা বাৰু মই নিজে খাম, এটা দেউতালৈ মুখত লৈ যাম। মায়ে কি খাব? ৰহ্ এটা বুধি কৰোঁ .....

**কওঁ আহা—**





# ন



৯

**তলৰ শব্দজালত থকা 'ন' আখৰত ঘেৰ দিওঁ আহা —**

| | | |
|---|---|---|
| ধান | টান | নদী |
| অনল | ন | নকল |
| নয়ন | নতুন | নমন |

শুনি কওঁ আহা —



ভোমোৰাৰ গুণ গুণ
শুনা কাণ পাতি,
কিন্‌কিনীয়া বৰষুণ
লৈ আনা ছাতি।


ণ

ওপৰত দিয়া পদ্যফাকিৰ ‘ণ’ থকা শব্দবোৰত ঘেৰ দিওঁ আহা।

শব্দৰ সৈতে ছবিবোৰ আঁচ টানি মিলাওঁ আহা —








নাও

কাণ

পাণ


নহৰু

বীণা






লিখোঁ আহা —




ন








ণ

শিক্ষকলৈ নিৰ্দেশনা ঃ ‘ন’ৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক’বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

কোনটো কাৰ পৰিয়াল, আঁচ টানি মিলাওঁ আহা —




সাঁথৰ ভাঙি কওঁ আহা —

কাণত ধৰি নাকত বহে যি,
কোৱাচোন কোৱা সেইটোনো কি?




ধ্বনিৰ মিল থকা শব্দ কওঁ আহা —

**ককা ⟶ পকা ⟶ চকা ⟶ ....... ⟶ ....... ⟶ .......**


**কাণ ⟶ মান ⟶ আন ⟶ ....... ⟶ ....... ⟶ .......**

শিক্ষকলৈ নিৰ্দেশনা ঃ ধ্বনিৰ মিল থকা শব্দ ক'বলৈ দিয়াৰ ক্ষেত্ৰত অৰ্থ আৰু ধ্বনিৰ মিলত গুৰুত্ব দিব।

কওঁ আহা—




বেল




বেঙেনা




কেৰেলা



মেকুৰী



নেমু




কেৰাহি

শিক্ষকৰ সৈতে কওঁ আহা —

বে  ৰে  কে  লে  মে  নে

*‘ব’, ‘ৰ’, ‘ক’, ‘ল’, ‘ম’ আৰু ‘ন’-ৰ সৈতে আৰু কি কি ধ্বনি শুনিছা কওঁ আহা।*



বেল

জানো আহা

এৰ পৰা এ- কাৰ ‘ে’

ব-ৰ লগত এ-কাৰ (ে) যোগ হৈ ‘বে’ হৈছে।

পঢ়োঁ আৰু লিখোঁ আহা —

| বে | লে | মে | কে | ৰে |
|---|---|---|---|---|
| .............. | .............. | .............. | .............. | .............. |
| .............. | .............. | .............. | .............. | .............. |

**শিক্ষকলৈ নির্দেশনা ঃ** ‘বে’, ‘ৰে’, ‘কে’, ‘লে’, ‘মে’, ‘নে’ আখৰেৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক’বলৈ উৎসাহিত কৰিব। লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

# শিকন ফলাফল

- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব, কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত/পদ্য গাব/আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰৱ-পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰৰে নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- প্ৰথম ভাষা(L1, অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে ধ্বনি মিল থকা শব্দ ক'ব পাৰিব।
- ছবি, পদ্য আৰু অসমীয়া প্ৰসংগৰ ইংগিত বুজি পাঠৰ নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ (ল, অ, এ, ন, ণ) আৰু স্বৰচিহ্ন এ-কাৰ (ে) চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনিৰ সৈতে সংযোগ কৰিব পাৰিব।

# পুনৰালোচনা

**তলৰ ছবিবোৰৰ নামৰ প্ৰথম ধ্বনিৰ সৈতে কোন আখৰৰ মিল আছে, আঁচ টানি মিলোৱা—**



এ






ন



১

বে





ল





অ




তলৰ শব্দবোৰৰ শেষৰ ধ্বনিৰ মিল থকা শব্দবোৰ কোৱা—

ভাই　　দেউতা　　খুৰা

বাকচটোৰ পৰা সঠিক আখৰ লৈ ছবিৰ নাম পূৰ কৰোঁ আহা—

কে,　নে,　বে,　মে






............ল　　...........ৰাহী　　.........কুৰী　　.........মু

তুমি ঘৰত কি কি কাম কৰা শুদ্ধ (✓) চিন দিয়া —





তোমাৰ লগতে তোমাৰ পৰিয়ালৰ ব্যক্তিসকলৰ নাম কোৱা —

মোৰ নাম ..............................................................

মোৰ দেউতাৰ নাম ..................................................

মোৰ মাৰ নাম..........................................................

মোৰ ভাইটি/দাদাৰ নাম ............................................

মোৰ ভণ্টী/বাইদেউৰ নাম ..........................................

লিখা—


মোৰ নাম ...............................................................................

অধ্যায় ৩

# আমাৰ চৌপাশ


ছবি চাই কথা পাতোঁ আহা—








**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছবিখন দেখুৱাই সমূহীয়াভাৱে আৰু দলগতভাৱে কথোপকথন বা আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্নসমূহৰ অৱতাৰণা কৰিব, যেনে— ক) বিলৰ ছবিখনত কি কি দেখা পাইছা? খ) পানীত কোনে কি কৰি আছে? গ) তোমাৰ থকা ঠাইৰ ওচৰত এনেকুৱা ঠাই আছেনে? তাত কি কি আছে? শিকাৰুক প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ উৎসাহিত কৰিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

তলৰ ছবিবোৰৰ নাম কওঁ আহা —




কাৰ কি মাত হ'ব কওঁ আহা —



কোনটো বাটেৰে গ'লে পিছলা খেলখন খেলিবলৈ পাব, বিচাৰোঁ আহা—



পাঠ - ১

# কুকুৰা আৰু হাঁহ

শুনো আহা —



এজনী কুকুৰাই তাইৰ পোৱালিবোৰৰ সৈতে নৈৰ পাৰত চৰি আছিল। নৈৰ সিপাৰলৈ যাবলৈ সিহঁতৰ বৰ মন গ'ল।



কুকুৰাজনীয়ে নৈত কেইজনীমান হাঁহ চৰি থকা দেখিলে। তাই হাঁহকেইজনীক ক'লে—"বাইটিহঁত, নৈৰ সিপাৰেনো কি আছে? আমাৰ যে চাবলৈ বৰ মন যায়। পিছে নৈখন পাৰ হ'ম কেনেকৈ?"



হাঁহকেইজনীয়ে ক'লে- "ৰ'বা, আমি আছোঁ নহয়! আহা, তোমালোক আমাৰ পিঠিত উঠাহি।"

কুকুৰা আৰু পোৱালিকেইটা এটা এটাকৈ হাঁহৰ পিঠিত উঠিল আৰু সিহঁত সিপাৰ পালেগৈ।



কওঁ আহা —

ক) হাঁহকেইজনী ক'ত চৰি আছিল?

খ) কুকুৰাজনীয়ে হাঁহক কি কৈছিল?

গ) কুকুৰাৰ পোৱালিবোৰে কিদৰে নৈখন পাৰ হৈছিল?

ঘ) কুকুৰাকেইজনীয়ে কিয় নৈৰ সিপাৰলৈ যাবলৈ মন কৰিছিল?

ঙ) হাঁহকেইজনীয়ে সহায় নকৰা হ'লে কুকুৰাকেইজনী কেনেকৈ নৈখন পাৰ হ'লহেঁতেন?

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটো শিকাৰুৰ প্ৰয়োজন সাপেক্ষে একাধিকবাৰ পঢ়ি শুনাব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব। পাঠটোৰ আধাৰত পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) আন আন সম্ভাব্য প্ৰশ্ন সুধিব।

## শেষৰ ছবিখনত কি হ'ব, ভাবি কওঁ আহা—



১



২



৩

তাৰ পিছত কি হ'ব?

৪

## কথা পাতোঁ আহা —



জবা — বেলি পৰিল। আজি আৰু নেখেলোঁ।

জিতা— আৰু অলপ খেলোঁ আহা।

জবা — দেৰি হ'ল দেখোন!

জিতা — অলপ খেলোঁ আহা।

জবা — কিন্তু মা-দেউতাই চাগৈ দুয়োলৈ বাট চাই আছে!


জিতা — তেন্তে আন এদিন খেলিম। ব'লা ঘৰলৈ যাওঁ।

জবা — ব'লা, তেনেহ'লে।

---

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক জবা আৰু জিতাৰ চৰিত্ৰত কথা পাতিবলৈ দিব।

ছবিৰ নাম আৰু নামৰ প্ৰথম ধ্বনিটো কওঁ আহা —

   প

   ত


'প' আৰু 'ত'ৰে আৰম্ভ হোৱা আৰু কি কি শব্দ জানো কওঁ আহা —

আঁচ টানি মিলাওঁ আহা —

প ত

ফুটবোৰ লগ লগাই লিখোঁ আহা—

 প প প **প** ☐ ☐ ☐

 ত ত ত **ত** ☐ ☐ ☐


**শিক্ষকলৈ নিৰ্দেশনা ঃ** 'প' আৰু 'ত'ৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

গাওঁ আহা —

চিপ্‌চিপীয়া বৰষুণ
থক্‌থক্‌কৈ কঁপে কোন?
থলগিৰী ভূতনাথ
কঁপি থাকে, নাই মাত।



ছবিৰ নামৰ শেষৰ ধ্বনিটো কওঁ আহা—



ৰথ

থ

কওঁ আহা—

থক্-থক্
থৰ্-থৰ্
থৰক-বৰক

থ

থল
থাল
থাপনা

লিখোঁ আহা —




থ থ থ থ থ থ থ থ

থ

শিক্ষকলৈ নিৰ্দেশনা ঃ ‘থ’ৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক’বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।


## ছবিবোৰৰ নাম কওঁ আহা—






জ






ছবিবোৰৰ নামৰ প্ৰথম ধ্বনিটো কোৱা। 'জ' ধ্বনিৰে আৰম্ভ হোৱা আৰু কি কি শব্দ জানা কোৱা।


## জ- আখৰ থকা ছবিটোত ৰং কৰোঁ আহা—



জবা ফুল



মধুৰিআম



জলকীয়া

## পঢ়োঁ আহা —

| জন | জকা | জাপি | জিকা | জগত |
|---|---|---|---|---|

## ফুটবোৰ লগ লগাই লিখোঁ আহা—



জ জ জ জ জ জ

## লিখোঁ আহা—

| জ | | | | | | |
|---|---|---|---|---|---|---|


**শিক্ষকলৈ নিৰ্দেশনা ঃ** 'জ'ৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

# ইৰিকটি-মিৰিকটি




গাওঁ আহা —

ইৰিকটি-মিৰিকটি
বাঁহৰ শলা
ইকৰা, খাগৰি
আনোগৈ ব'লা।
ইলুটি-সিলুটি
ইটো-সিটো খেল
ইঘৰে-সিঘৰে পাতে
আইতাই মেল।




উকি মাৰি গুছি গ'ল
উজনিৰ ৰে'ল,
উখল-মাখল চ'ৰাঘৰ
মইনাহঁতৰ মেল।
উৰণ-সেতুৰ পৰা
বেলি-উদয় চাম,
উধাতু খাই গ'লে
উজুটিহে খাম।



লিখোঁ আহা —


| ই | | |
|---|---|---|
| ই | | |

| উ | | |
|---|---|---|
| উ | | |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** 'ই' আৰু 'উ'ৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

## ছবিৰ নামৰ প্ৰথম ধ্বনি কওঁ আহা—









## তলত দিয়া ধ্বনিবোৰ শুনো আহা —

বি মি কি নি ৰি লি



কিতাপ


‘ব’, ‘ম’, ‘ক’, ‘ন’, ‘ৰ’ আৰু ‘ল’ৰ সৈতে আৰু কি কি ধ্বনি শুনিছা কওঁ আহা।

**জানো আহা**


ইৰ পৰা ই-কাৰ ‘ি’

ব-ৰ লগত ই-কাৰ (ি) যোগ হৈ ‘বি’ হৈছে।

## ছবিৰ নামবোৰ সম্পূৰ্ণ কৰোঁ আহা—



.........তাপ



.........ঠাই




........মপাত



..........চু

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ‘বি’, ‘মি’, ‘কি’, ‘নি’, ‘ৰি’ আৰু ‘লি’ আখৰেৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক’বলৈ উৎসাহিত কৰিব। লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।



## কওঁ আহা -

ক) ছবিখনত কি দেখিছা?

খ) ছোৱালীজনীয়ে কি কৰি আছে?

গ) তুমি কি জীৱ-জন্তু পুহিবলৈ ভাল পোৱা?

ঘ) ছোৱালীজনীয়ে কিয় শব্দ কৰিবলৈ মানা কৰিছে?

## আখৰবোৰ লগ লগাই পঢ়োঁ আৰু লিখোঁ আহা —



ব ল → বল



ক ল → ..................



ক ল ম → ..................



ক ৰ ত → ..................

শিক্ষকলৈ নির্দেশনা ঃ 'পঢ়োঁ আৰু লিখোঁ আহা'ৰ ক্ষেত্ৰত শিকাৰুৱে আগৰ পাঠবোৰত পাই অহা আখৰৰ সহায়ত নতুন শব্দ গঠন কৰিবলৈ উৎসাহিত কৰিব।


# শিকন ফলাফল

- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব, কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত/পদ্য গাব/আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰৱ-পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- ছবি আৰু প্ৰসংগৰ ইংগিত বুজি পাঠৰ নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষা(L1, অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে ধ্বনি যোগ কৰি শব্দ গঠন কৰিবলৈ শিকিব আৰু শব্দ ভাঙি ধ্বনিবোৰ উলিয়াব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ (প, ত, থ, জ, ই, উ) আৰু স্বৰচিহ্ন ই-কাৰ (ি) চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনিৰ সৈতে সংযোগ কৰিব পাৰিব।
- বহু শব্দাংশ যুক্ত শব্দ পঢ়িব পাৰিব। (ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি)


# পুনৰালোচনা

## ছবিৰ নামৰ প্ৰথম ধ্বনিৰ সৈতে আঁচ টানি মিলোৱা —











| প | উ | ই | ত |
|---|---|---|---|

## ছবিবোৰৰ নামৰ শেষ ধ্বনিৰ লগত আখৰবোৰ আঁচ টানি মিলোৱা—







| থ | প | তি |
|---|---|---|

একেদৰে লিখা আৰু পঢ়া —

| ক | ক | কা | কে | কি |
|---|---|---|---|---|
| প | | | | |
| ত | | | | |
| থ | | | | |
| জ | | | | |

খৰকৈ কওঁ আহা —

নাৰ বাত পাভ মাছ
আৰু এটা কাছ,
বাৰ টকাত কিনি আনি
কিয় বাৰু নাচ?



নাৰ, বাত আৰু পাভ মাছৰ বাহিৰেও আৰু কি কি মাছৰ নাম জানা কওঁ আহা—

লগ লগাই পঢ়া আৰু লিখা—



ক ল → ______



ব ল → ______



ক ৰ ত ______



কি তা প → ______

বিঃদ্ৰঃ ওপৰৰ পদ্যটো 'কুঁহিপাঠ' প্ৰথমভাগ একাদশ তাঙৰণ (১৯৯৭)ৰ পৃষ্ঠা নং-৪৫ ৰ পৰা লোৱা হৈছে।


অধ্যায় ৪

# আমাৰ সংস্কৃতি

ছবি চাই কথা পাতোঁ আহা—



C6Q5R6



**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছবিখন দেখুৱাই সমূহীয়াভাৱে আৰু দলীয়ভাৱে কথোপকথন বা আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্নসমূহৰ অৱতাৰণা কৰিব, যেনে- ক) ছবিখনত কি কি দেখা পাইছা? খ) তুমি কি কি উৎসৱ পালন কৰা? গ) তোমাৰ অঞ্চলত আৰু কি কি উৎসৱ পালন কৰে? - ইত্যাদি সুধিব। শিকাৰুক প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ উৎসাহিত কৰিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

পাঠ - ১

# ৰংমনৰ ঢোল

শুনো আহা —



বেলা দুপৰীয়া। ৰংমনৰ মাকে তাৰ কণমানি ভনীয়েকক কোলাত লৈ শুৱাবলৈ গীত এফাকি জুৰিলে — "আমাৰে মইনা শুব এ'

বাৰীতে বগৰী ৰুব এ'

বাৰীৰে বগৰী পকি সৰিব

আমাৰে মইনাই বুটলি খাব।"



তেনেতে বাজি উঠিল—

'ধিনিকি ধিন দাও

ধিনিকি ধিন দাও'



ৰংমনৰ ভনীয়েকে ঢোলৰ মাত শুনি উচাপ্ খাই কান্দিবলৈ ধৰিলে। সেয়ে মাকে ৰংমনক ঢোলটো বজাবলৈ মানা কৰিলে। সি বৰ বেজাৰ পালে। কালি সন্ধিয়া দেউতাকে আনি দিয়া ঢোলটো বজাবলৈ তাৰ বৰ মন গৈ আছিল। সি ঢোলটো হাতত লৈছিলহে মাথোন, মাকে বজাবলৈ বাধা দিলে।


ভনীয়েকে অলপ সময় নিতাল মৰা দেখি সি আকৌ ঢোলত হাত বুলালে।

'ধিনিকি ধিন দাও

ধিনিকি ধিন দাও...'

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটো শিকাৰুৰ প্ৰয়োজনসাপেক্ষে একাধিকবাৰ পঢ়ি শুনাব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব। নিৰ্দিষ্ট গীতবোৰ তথ্য-প্ৰযুক্তিৰ সহায়ত শুনাব আৰু সমস্বৰে গাবলৈ উৎসাহিত কৰিব।

ভনীয়েকে আকৌ জোৰেৰে কান্দিবলৈ ধৰিলে। মাকে ভনীয়েকক কোলাত লৈ ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল। ৰংমনে নিজৰ ভুলটো বুজি পালে।



এইবাৰ ঢোলটো লৈ সি মাকৰ পিছে পিছে আহিল। আইতাক চোতালত বহি আছিল। আইতাকে ৰংমনক তেওঁৰ ওচৰত বহিবলৈ দিলে। মাকৰ কোলাৰ পৰা ভনীয়েকক তেওঁ নিজৰ কোলালৈ ল'লে। আৰু ৰংমনক ক'লে,— "দেউতাৰা আহিলে তুমি ঢোলটো ভালদৰে বজাবলৈ শিকি ল'বা। আহাচোন আমি দুয়ো গীত এটি গাই ভণ্টীক টোপনি নিয়াওঁ।"

দুয়ো গাবলৈ ধৰিলে—

"লাই হালে-জালে আবেলি বতাহে
লফা হালে-জালে পাতে,
আমাৰে মইনা হালিছে-জালিছে
কালি দুপৰৰে ভাতে।"

## কথা পাতোঁ আহা —

ক) ৰংমনক ঢোলটো কোনে আনি দিছিল?

খ) ৰংমনে ঢোল বাওঁতে মাকে কি কৰি আছিল?

গ) সেই সময়ত আইতাক ক'ত আছিল?

ঘ) ৰংমনে প্ৰথমবাৰ ঢোলটো বাওঁতে মাকে কিয় মানা কৰিছিল?

ঙ) ৰংমনে কি ভুল কৰিছিল?

চ) ৰংমনৰ মাক আৰু আইতাকে গোৱা গীত দুটি গোৱা।

---

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটোৰ আধাৰত আন আন সম্ভাব্য পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্ন সুধিব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক প্ৰাধান্য দিব।

বি.দ্ৰঃ পাঠত থকা নিচুকনি গীত কেইফাকি নৱকান্ত বৰুৱা সম্পাদিত 'মৰুৱা ফুল' গ্ৰন্থৰ নিচুকনি গীত (পৃষ্ঠা ৩, অষ্টম প্ৰকাশ, মাৰ্চ ২০২১) পৰা লোৱা হৈছে।

গাওঁ আহা —


চৰাইজনী অকণমানি
চকু-দুটা সৰু,
পিন্ধিবা নেকি চ ছমা তুমি
ককাৰ দৰে বাৰু ?

চ, গ, ও, শ, য়, ৱ, ো

চ



গৰম বতৰৰ গধূলি পৰত
গৰখীয়াই গগনা বায়,
গছৰ তলত গগন কঁপাই
গৰুৱে হেম্বেলিয়ায়।



গ

খেলোঁ আহা —

ধিনিকি ধিন দাও, ধিনিকি ধিন দাও,
'চ' আখৰ ক'ত পাওঁ, বিচাৰি চাওঁ।

চৰাই চকু চৰণ চজিনা কিচমিচ বাচন

লিখোঁ আহা —

(ক) ফুট লগ লগাই —


(খ) চাই-চাই —

| চ | | | গ | | |
|---|---|---|---|---|---|

শিক্ষকলৈ নিৰ্দেশনা ঃ 'চ' আৰু 'গ'ৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

## গাওঁ আহা —

ওলকবি, ওলকচু
খাই লাগে ভাল,
ওৰে বাটে ওৰ লৈ
ঘাম যে ওলাল।



## ও- আখৰ থকা শব্দটোৰ তলত ‘✓’ চিন দিওঁ আহা —


| ওলকবি | চকৰি | নাও | ওজন | গগনা |
| --- | --- | --- | --- | --- |
| | | | | |

## খালী ঠাইত ‘ও’ লিখি পঢ়োঁ আহা —


না ........ ........চৰ ........ৰণি

........ঠৰ ........লকবি ........কণি

## শিকোঁ আৰু কৰোঁ আহা —





## লিখোঁ আহা —




ও

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ‘ও’ৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক’বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব। শিকাৰুক নিজৰ কাপোৰ-কানি ভালদৰে ৰাখিবলৈ উৎসাহিত কৰিব।

## ছবিত থকা বাদ্যযন্ত্ৰকেইটাৰ নাম কওঁ আহা —



## আখৰ-জালৰ পৰা শব্দ লিখোঁ আৰু পঢ়োঁ আহা—

| | | |
|---|---|---|
| ব | তা | ক |
| ৰ | জা | লি |
| ল | ক | ৰ |


........................ ........................

........................ ........................

........................ ........................

........................ ........................

## পঢ়োঁ আৰু লিখোঁ আহা—




# অমলে কিতাপ কিনিলে।

..........................................................................................

..........................................................................................

**শিক্ষকলৈ নিৰ্দেশনা ঃ** লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহীৰ ব্যৱহাৰ কৰিবলৈ দিব।

পাঠ - ২

# জোনবাই এ’ এটি তৰা দিয়া



গাওঁ আহা —


জোনবাই এ’ এটি তৰা দিয়া
এটি তৰা নালাগে দুটি তৰা দিয়া।
পাত নাই চোত নাই কিহতকৈ দিম,
হালধীয়া চৰায়ে বাওধান খায়,
সাউদৰ পুতেকে নাও মেলি যায়।
নাৰে বোলে টুলুং ভুটুং
ব’ঠাই বোলে বাওঁ
গধূলিতে গধূলিতে দবা কোবাওঁ।







বেলেগ বেলেগ আকৃতিৰ জোনবাই আকোঁ আহা —



কাঁচি জোন

কথা পাতোঁ আহা —

ক) আকাশত জোনবাই আৰু তৰাৰ বাহিৰে আৰু কি কি দেখিছা?
খ) তোমালোকে কি কি ৰঙৰ চৰাই দেখিছা?
গ) তোমালোকে দেখা চৰাইবোৰৰ নাম কোৱা।
ঘ) নাও মেলি কোন যায়?
ঙ) গধূলি সময়ত তোমালোকে কি কি কৰা?

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ওমলা গীতফাকি অংগ-ভঙ্গীৰে শিশুৰ সৈতে গাব। শিশুক অংগ-ভঙ্গীৰে গাবলৈ দিব। পদ্যটোৰ আধাৰত আলোচনা অনুষ্ঠিত কৰিব। আলোচনাৰ বাবে পাঠৰ আধাৰত আন আন সম্ভাব্য পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্ন সুধিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক প্ৰাধান্য দিব।

বিঃ দ্ৰঃ ‘জোনবাই এ’ এটি তৰা দিয়া’ পদ্যফাকি ‘অংকুৰণ-প্ৰথম ভাগ’ (পৃষ্ঠা ১৩১, সংস্কৰণ-২০২২) ৰ পৰা তুলি দিয়া হৈছে।

আমাৰ চাৰিওফালে থকা গোল বস্তুবোৰৰ নাম কওঁ আৰু আকোঁ আহা —

সাঁথৰ ভাঙো আহা —

গাখীৰ বগা, কপাহ বগা
আৰু বগা কি ?
পানীৰ মাজত খোজ দি
মাছ বিচাৰে যি ?



প্ৰথম ধ্বনি কওঁ আহা —



শ

লগে-ভাগে গাওঁ আহা —



শ শ শেৱালি, শৰতৰ ৰাতি।
শ শ শৰালি, উৰে জাক পাতি।

শুনো আৰু প্ৰথম ধ্বনিটো কওঁ আহা —


শৰত শৰালি শকত শহা

এই শব্দবোৰত প্ৰথম ধ্বনি কি শুনিছা কোৱা।

শুনো আৰু শব্দৰ মাজৰ ধ্বনি কওঁ আহা —


য় নয়ন শয়ন বয়ন

ল'ৰাদুজনে পতা কথাবোৰ শুনো আহা —




এই বাটে তোমাৰ ঘৰ হয় নে নহয় কোৱা ?
নহয় নহয়, সেই বাটে যোৱা।

লিখোঁ আহা —



| | |
|---|---|
| শ | |
| শ | |



| | |
|---|---|
| য় | |
| য় | |

তলত দিয়া ধ্বনিবোৰ শুনো আহা —

**ও— ো**



মোনা

কো ছো জো মো লো

'ক', 'ছ', 'জ', 'ম' আৰু 'ল'ৰ সৈতে আৰু কি কি ধ্বনি শুনিছা কওঁ আহা।

<u>জানো আহা</u>

ওৰ পৰা ও-কাৰ 'ো'

ম-ৰ লগত ও-কাৰ (ো) যোগ হৈ 'মো' হৈছে।

শুনো আৰু কওঁ আহা—

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| জো | ৰো | মো | শো | নো | লো | ণো | তো | পো | য়ো |

পঢ়োঁ আহা —

| | | | |
|---|---|---|---|
| শো | লো | শোৱা | লোৱা |
| সোণ | লোণ | কোমল | নোমল |
| শোক | পোক | কোমোৰা | ভোমোৰা |

খালি ঠাই পূৰ কৰি ছবিৰ নামবোৰ লিখোঁ আহা—







............. হা    ............. য়াল    .............না

গাওঁ আহা —

পথাৰ শুৱনি হালোৱা ৰোৱনী
নাঙল, যুঁৱলি, মৈ
আকাশ শুৱনি শুকুলা ডাৱৰ
পুৱাৰ বেলিটি লৈ।





কওঁ আহা —

ডাৱৰ শেৱালি শুৱলা শুৱনি

ৱ আখৰটোত গোল চিন দিওঁ আহা—

ৱ | যুঁৱলি ডাৱৰ শুৱনি ৰোৱনী

লিখোঁ আহা—



ৱ

শিক্ষকলৈ নিৰ্দেশনা ঃ আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

✎ ছন্দ মিলাই কওঁ আৰু লিখোঁ আহা —

| বাঁওফাল | সোঁফাল |
|---|---|
| সোণ | লোণ |
| .......... | ........... |
| .......... | ........... |
| .......... | ........... |
| .......... | ........... |




✎ আখৰ লগ লগাই শব্দ গঠন কৰোঁ আহা—





| | | |
|---|---|---|
| জি | কা | প |
| চি | লা | ৰু |
| ন | শো | ৰা |






........................ ........................
........................ ........................
........................ ........................
........................ ........................

পঢ়োঁ আহা—

## ৰমেনে কথা পাতে।

সাঁথৰ ভাঙো আহা—



পেট আছে পেটু নাই,
মুখ আছে জিভা নাই?

# শিকন ফলাফল


- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব, কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত/পদ্য গাব আৰু আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰব পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- কেইবাটাও পদক্ষেপেৰে গঠিত নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (এটা সময়ত ৮-৯ টা নিৰ্দেশনা)
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰৰে নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- ছবি আৰু পাঠৰ পৰা নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষা(L1,অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে ধ্বনি যোগ কৰি শব্দ গঠন কৰিবলৈ শিকিব আৰু শব্দ ভাঙি ধ্বনিবোৰ উলিয়াই ক'ব পাৰিব।
- ছবি আৰু প্ৰসংগৰ ইংগিত বুজি পাঠৰ নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ (চ, গ, ও, শ, য়, ৱ) আৰু স্বৰচিহ্ন ও-কাৰ (ে া) চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনিৰ সৈতে সংযোগ কৰিব পাৰিব।
- বহু শব্দাংশ যুক্ত শব্দ পঢ়িব পাৰিব। (ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি)
- শব্দ আৰু চুটি বাক্যৰে ছবি কাৰ্ড চাই বৰ্ণনা কৰিব পাৰিব।


# পুনৰালোচনা

## পঢ়োঁ আহা—

| পোক | সেৱা | কাণ | নাক | ৰবৰ |
|---|---|---|---|---|
| কোমল | কলম | কিতাপ | মণি | কলা |

## নাম লিখোঁ আহা—





...................... ...................... ......................

## ছন্দ মিলাই বেলেগ শব্দ কওঁ আৰু লিখোঁ আহা—

কল .................... মলম ....................

পৰ .................... পকা ....................

অধ্যায় ৫


# আমাৰ খাদ্য

S2H7M1

পাঠ - ১

## খিচিৰিৰ সোৱাদ

শুনো আহা —



আজি বহুদিনৰ মূৰত টিলটিলহঁতৰ ঘৰলৈ তাৰ আইতাক আহিছে। আইতাকে এখন মোনাত ঢেৰ শাক-পাচলি লৈ আহিছে। আলু, কচু, বেঙেনা, ৰঙালাও আদি ডলা এখনত তেওঁ উলিয়াই দিলে। আইতাকে অনা লাৰুৰ টেমাটো টিলটিলে নিজৰ লগতেই ৰাখিলে। সি তাৰে এটা মুখত দি ক'লে—"বাঃ, কি মজাৰ সোৱাদ! পিছে পাচলিবোৰ যে কেতিয়া শেষ হ'ব!"



পিছদিনা ৰাতিপুৱা টিলটিল খোৱাৰ মেজত বহিল। মাকে টিলটিলক এখন থালত খিচিৰি খাবলৈ দিলে। গাজৰ, বিন আদিৰে ৰংচঙীয়া খিচিৰিৰ থালখনলৈ টিলটিলে চালে। সি খাওঁ নাখাওঁকৈ খিচিৰি মুখত দি চালে। "বাঃ ইমান যে সোৱাদ!" থালৰ খিচিৰি তৎক্ষণাৎ কেনেকৈ যে নোহোৱা হ'ল, সি গমকে নাপালে। "মোক আৰু অলপ খিচিৰি দিয়া, মা।"—সি চিঞৰিলে।



মাকে হাঁহি মাৰি টিলটিলক খিচিৰি দিলে। পাচলিবোৰৰ যে ইমান সোৱাদ থাকে সি আজিহে বুজিলে। টিলটিলে পাচলিবোৰ শেষ হৈ যোৱা উদং ডলাখনলৈ চাই থাকিল।

### কথা পাতোঁ আহা —

ক) টিলটিলহঁতৰ ঘৰলৈ কোনে পাচলিবোৰ আনিছিল?

খ) খিচিৰিত কি কি পাচলি আছিল?

গ) কাহিনীটো নিজাববীয়াকৈ কওঁ আহা।

ঘ) লাৰুৰ টেমাটো টিলটিলে কিয় নিজৰ লগতেই ৰাখিছিল?

ঙ) তুমি কি কি মিঠাই খাই পাইছা?

**শিক্ষকলৈ নিৰ্দেশনা** ঃ পাঠটোৰ আধাৰত আন আন সম্ভাব্য পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্ন সুধিব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

ডলাখনত থকা শাক-পাচলিবোৰৰ নাম কওঁ আহা —



তুমি ভালপোৱা পাচলিবিধৰ নাম কোৱা আৰু ছবি আঁকা —

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীয়ে ঘৰুৱা ভাষাত কোৱা পাচলিৰ নামবোৰ প্ৰয়োজনবোধে মান্য ভাষাৰে পৰিচয় কৰাব।

## শুনো আৰু প্ৰথম ধ্বনি কওঁ আহা—

**স, ফ, ঐ, ধ, ছ, ৈ**

| | | | | |
|---|---|---|---|---|
| স | সফল | সজা | সখী | সমান |
| | সহজ | সৰল | সকাম | |
| ফ | ফল | ফকিৰ | ফচল | ফৰকাল |
| | ফণি | ফটা | ফৰিং | |
| ঐ | ঐকিক | ঐৰাৱত | | |
| | ঐহিক | ঐশিক | | |

## স, ফ আৰু ঐ আখৰবোৰ বাছি উলিয়াওঁ আহা —

**স**

| | | |
|---|---|---|
| সভা | সকাম | মানস |
| সকাহ | অসম | পায়স |


**ফ**




| | | |
|---|---|---|
| ফচল | ফকৰা | ফণি |
| কফন | বৰফ | মফচল |

**ঐ**

ঐৰাৱত ঐকিক ঐহিক

## লিখোঁ আহা—

শিক্ষকলৈ নিৰ্দেশনা ঃ 'স', 'ফ' আৰু 'ঐ' ধ্বনিৰে আৰম্ভ হোৱা আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

তলত দিয়া আখৰ-জালৰ পৰা শব্দ গঠন কৰোঁ আহা—

| | | | |
|---|---|---|---|
| ক | ৰ | চ | কা |
| সা | ত | ক | লি |
| প | তা | কা | লি |
| পা | চি | ম | নি |

................ ................
................ ................
................ ................
................ ................
................ ................
................ ................

পঢ়োঁ আৰু লিখোঁ আহা—

চকা করত চেকনি

.................. .................. ..................

.................. .................. ..................

নোম পাচলি ভোমোৰা

.................. .................. ..................

.................. .................. ..................

পঢ়োঁ আহা—

**পথাৰত ধান পকিছে।**


**চোতালত মৰণা মাৰিছে।**

শিক্ষকলৈ নিৰ্দেশনা ঃ লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

পাঠ - ২

# শিয়াল আৰু বগলী

## ছবি চাই সাধু কওঁ আহা —




## কথা পাতোঁ আহা —

ক) বগলীজনীয়ে খাদ্য ক'ৰ পৰা খাইছে?

খ) শিয়ালটোৱে বগলীক মাতি কিহত খাবলৈ দিছে?

গ) বগলীটোৱে শিয়ালক মাতি কিহত খাবলৈ দিছে?

ঘ) ছবিকেইখন চাই কাহিনীটো নিজাববীয়াকৈ কওঁ আহা।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছবিখন দেখুৱাই কাহিনীটোত কি কি হৈছে আলোচনা কৰিবলৈ পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্ন সুধিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

ছবি চাই প্ৰথম ধ্বনি কওঁ আহা—





কওঁ আহা—

**ধ** | ধনু | ধৰ | ধৰা | ধল | ধনিয়া | ধনী | ধক্‌ধক্

**ছ** | ছয় | ছবি | ছক | ছটা | ছট্‌ফট্


'ধ' আৰু 'ছ' আখৰত ঘেৰ দিওঁ আহা—

**ধন এজন খেতিয়ক। তেওঁ ধনিয়া আৰু ধান খেতি কৰিছে। ধনৰ ছাগলী ছটা। সিহঁতে গছজোপাৰ সিপাৰে চৰে।**

লিখোঁ আহা—



→ ধ



→ ছ

**শিক্ষকলৈ নিৰ্দেশনা ঃ** 'ধ' আৰু 'ছ' ধ্বনিৰে আৰম্ভ হোৱা আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

শুনো আৰু কওঁ আহা —

ঐ — ৈ

আমৈ তাঁৰৈ জাকৈ খালৈ কাৰৈ গৰৈ

গাওঁ আহা —

## আমৈৰ নাতি

কাৰৈমাৰিত তাঁৰৈৰ ঘৰ
আমৈৰ আমগুৰিত,
জীয়েকৰ নাম জেতুকী থ'লে
পৰিল জামুগুৰিত।



জাকৈ

**জানো আহা**

ঐৰ পৰা ঐ-কাৰ 'ৈ'
ক-ৰ লগত ঐ-কাৰ (ৈ) যোগ হৈ 'কৈ' হৈছে।

কৈ ছৈ জৈ মৈ লৈ

'ক', 'ছ', 'জ', 'ম' আৰু 'ল'ৰ সৈতে আৰু কি কি ধ্বনি শুনিছা কওঁ আহা।

পঢ়োঁ আৰু লিখোঁ আহা —

| গৰৈ | জাকৈ | তাঁৰৈ |
|---|---|---|
| ............ | ............ | ............ |
| ............ | ............ | ............ |

| ধৰা | তাল | ছাল |
|---|---|---|
| ............ | ............ | ............ |
| ............ | ............ | ............ |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

বিঃদ্রঃ দেৱকান্ত বৰুৱাৰ দ্বাৰা ৰচিত 'আমৈৰ নাতি' পদ্যফাকি (প্ৰথম চাৰি শাৰী) নৱকান্ত বৰুৱাৰ দ্বাৰা সম্পাদিত 'মৰুৱা ফুল'(অষ্টম প্ৰকাশঃ মাৰ্চ, ২০২১)ৰ ১৮৭ নং পৃষ্ঠাৰ পৰা তুলি দিয়া হৈছে।

তলৰ আখৰ-জালৰ পৰা আখৰ বিচাৰি শব্দ গঠন কৰি পঢ়োঁ আৰু লিখোঁ আহা —

| | | | |
|---|---|---|---|
| প | চ | লা | ভা |
| খি | ৰা | ই | ত |
| লা | ই | শা | ক |
| জা | কৈ | মা | ছ |

.................. ..................

.................. ..................

.................. ..................

.................. ..................

পঢ়োঁ আহা—



আকাশত বেলি ওলায়।
বেলিয়ে পোহৰ বিলায়।

শেষ আখৰ সলনি কৰি নতুন শব্দ গঠন কৰোঁ আহা—

| | | |
|---|---|---|
| নল | ন | ◯ |
| চকা | চ | ◯ |
| তৰা | ত | ◯ |

| | | |
|---|---|---|
| কলপ | কল | ◯ |
| বেল | বে | ◯ |
| বৰল | বৰ | ◯ |

অঙ্গ-ভঙ্গী কৰি গাওঁ আহা—





# ৰস

জলকীয়া ‘জলা’ আৰু
নিমপাত ‘তিতা’,
চেনি, মৌ, কুঁহিয়াৰ
এইবোৰ ‘মিঠা’।
জলফাই ‘টেঙা’ আৰু
‘কেঁহা’ আমলখি
‘লুণীয়া’ বিচাৰি পাবা
নিমখ চেলেকি।











অভিনয় কৰি দেখুৱাওঁ আহা —

| | | | | |
|---|---|---|---|---|
| টেঙা খোৱা | জলা খোৱা | গা-ধোৱা | দাঁত মজা | কাপোৰ পিন্ধা |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পদ্যটো অঙ্গ-ভঙ্গীৰে শিকাৰুৰ সৈতে গাব। শিকাৰুক অঙ্গ-ভঙ্গীৰে গাবলৈ দিব। পদ্যটোৰ আধাৰত আলোচনা অনুষ্ঠিত কৰিব। আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্নসমূহৰ সহায় ল’ব, যেনে -ক) কি খালে জলা পাওঁ? খ) কি পাত তিতা? গ) চেনি, মৌ, কুঁহিয়াৰ এইবোৰ কি? ঘ) আমলখি কেনেকুৱা? ঙ) লুণীয়া ক’ত পোৱা যায়? চ) তুমি কি খাই ভাল পোৱা? শিক্ষকে ঘৰুৱাভাষাত কথা পাতিবলৈ সুবিধা দিব। শিকাৰুৱে জনা আন পদ্য বা ওমলা গীতবোৰ মাতিবলৈ দিব।

বিঃদ্ৰঃ ‘ৰস’ পদ্যটি ‘কুঁহিপাঠ দ্বিতীয় ভাগ’ প্ৰথম তাঙৰণ (১৯৯৭) ৰ পৃষ্ঠা নং ৩৬ ৰ পৰা তুলি দিয়া হৈছে।


# শিকন ফলাফল

- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব; কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত /পদ্য গাব /আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰৱ-পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰৰে নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- ছবি আৰু পাঠৰ পৰা নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষা(L1, অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে ধ্বনি যোগ কৰি শব্দ গঠন কৰিবলৈ শিকিব আৰু শব্দ ভাঙি ধ্বনিবোৰ উলিয়াব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ (স, ফ, ঐ, ধ, ছ) আৰু স্বৰচিহ্ন ঐ-কাৰ (ৈ) চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনিৰ সৈতে সংযোগ কৰিব পাৰিব।
- বহু শব্দাংশ যুক্ত শব্দ পঢ়িব পাৰিব। (ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি)
- ছবিৰ সহায়ত বা ছবি নোহোৱাকৈ থকা পাঠ পঢ়িবলৈ আৰম্ভ কৰিব।
- চুটি পদ্য পঢ়িব আৰু পদ্যৰ আক্ষৰিক অৰ্থ বৰ্ণনা কৰিব পাৰিব।
- শব্দ আৰু চুটি বাক্যৰে ছবি কাৰ্ড চাই বৰ্ণনা কৰিব পাৰিব।

## পুনৰালোচনা

**ছবিৰ নামৰ প্ৰথম ধ্বনিৰ লগত আঁচ টানি মিলোৱা—**







ঐ সা

মো শি

জি বে


**তলৰ আখৰ-জালৰ পৰা আখৰ বিচাৰি শব্দ গঠন কৰি পঢ়োঁ আৰু লিখোঁ আহা —**

| | | | |
|---|---|---|---|
| বা | বে | জো | প |
| ফ | ল | ক | কা |
| ঐ | ৰা | ৱ | ণ |
| ল | চো | লা | জ |

.............. .............. ..............

.............. .............. ..............

.............. .............. ..............

পঢ়া —

**শিয়াল বনত থাকে। শিয়াল ৰাতি ওলায়।**

পাঠ - ১

# মিনুহঁতৰ পাকঘৰৰ

P5F2U8

তলৰ ছবিখন চোৱাচোন। এইখন মিনুহঁতৰ পাকঘৰ। মিনুহঁতৰ পাকঘৰত কি কি দেখিছা কোৱা —



**আহাচোন আমি মিনুহঁতৰ পাকঘৰৰ এটা কাহিনী শুনো —**

মিনুহঁতৰ পাকঘৰত কেইটামান পঁইতাচোৰা, নিগনি, মহ আৰু মাখিয়ে বাহ লৈছিল। এদিন মিনুহঁতৰ পাকঘৰত কোনো নথকাৰ সুযোগ পাই নিগনিয়ে ক'লে— “ব'লা, কেৰাহীৰ কাষলৈ যাওঁ।” “বাঃ বাঃ, পাকঘৰতচোন বহুত খোৱা বস্তু!” গাখীৰৰ টেকেলিত পৰি থকা মাখিকেইটাই মাত লগালে— “ৰ'বা ৰ'বা, আমিও খাম। অকলে খাবানে?” ঢাকনি নথকা কেৰাহীখনত পঁইতাচোৰাকেইটা বগাই আছিল। সিহঁতে চিঞৰিলে—“আমি খালোঁৱেই।” নিগনিকেইটাই পানী খাবলৈ ঢাকনি নথকা কলহটোৰ ওচৰলৈ লৰ মাৰি গ'ল। “সেয়া কোন? ৰ'বাচোন, পানীত আমাৰ কণীবোৰ আছে।”— মহকেইটাই চিঞৰিলে।



তেনেতে মিনু আৰু মিকুৱে হাতত বীজাণুনাশক দ্ৰব্যৰ বটল আৰু কাপোৰ লৈ পাকঘৰ চাফা কৰিবলৈ আহিল। মিনুৰ মাকে বাল্টিৰ পানীৰ লগত বটলৰ বীজাণুনাশক দ্ৰব্য মিহলাই মজিয়াত ঢালি দিয়াৰ লগে লগে পঁইতাচোৰাকেইটাই চিঞৰিলে—“পলা, পলা! ৰ’বলৈ সময় নাই, এতিয়াই পলা!”

## এতিয়া পাঠটোৰ পৰা কি কি শিকিলা কোৱা —

ক) নিগনি, পঁইতাচোৰা আৰু মাখিকেইটাই ক’ত বাহ লৈছিল?

খ) মিনুহঁতৰ মাকে পাকঘৰটো কিয় পৰিষ্কাৰ কৰিলে?

গ) পঁইতাচোৰা, নিগনি আৰু মাখিৰ পৰা আমি কিয় সাৱধানে থাকিব লাগে?

ঘ) কাহিনীটো নিজাববীয়াকৈ কওঁ আহা।

ঙ) তোমালোকে পাকঘৰ পৰিষ্কাৰ কৰি পাইছানে?

চ) পানী কিয় ঢাকি ৰাখিব লাগে?


**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটোৰ আধাৰত পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) আন আন সম্ভাব্য প্ৰশ্ন সুধিব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব। পাঠটো আলোচনা কৰোঁতে নিগনি, পঁইতাচোৰা আৰু মাখিৰ পৰা বিয়পা ৰোগ সম্পৰ্কত আলোচনা কৰিব।

কওঁ আহা—

ঔ পৰিল বনত,
হৰিণ পলাল ভয়ত।



তলৰ ছবিৰে বুজোৱা শব্দৰ প্ৰথম ধ্বনি কওঁ আহা —


'হ', 'ঔ' আৰু 'ভ' আখৰত ঘেৰ দিওঁ আহা —

ঔ-তলিৰ বিহুত ভানুৱে গান গায়।
হীৰকে ঢোল বায়।

পঢ়োঁ আহা—

ভাল ভোল ভৰি ভেলা
হাত হোৱা হিলৈ হেলা


লিখোঁ আহা—


→ ভ
→ হ
→ ঔ


শিক্ষকলৈ নিৰ্দেশনা ঃ 'ভ', 'হ' আৰু 'ঔ' ধ্বনিৰে আৰম্ভ হোৱা আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

## আকোঁ আহা —

হ







## তলৰ আখৰ-জালৰ পৰা আখৰ বিচাৰি শব্দ গঠন কৰি পঢ়োঁ আৰু লিখোঁ আহা —

| | | |
|---|---|---|
| বে | শ | হা |
| ভা | ৰ | ত |
| ল | গ | ল |

..................... .....................

..................... .....................

..................... .....................

## পঢ়োঁ আৰু লিখোঁ আহা —

| উল | ভৰি | অমৰা |
|---|---|---|
| ............ | ............ | ............ |
| ............ | ............ | ............ |
| **হৰিণ** | **ওঠৰ** | **ঔ-টেঙা** |
| ............ | ............ | ............ |
| ............ | ............ | ............ |

**শিক্ষকলৈ নির্দেশনা ঃ** লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

পাঠ - ২

# নাজিয়াৰ দৈনিক কাম

শুনো আহা—

দুদিনমানৰ পৰা নাজিয়াৰ খাবলৈ মন নোযোৱা হৈছে। মাক-দেউতাকৰ সেয়ে বৰ চিন্তা। আজৰি সময়ত তাই খেলা-ধূলাও নকৰে। দিনে দিনে নাজিয়া দুৰ্বল হৈ যাবলৈ ধৰিলে। তাই একো কামেই মনোযোগ দি কৰিব নোৱৰা হ'ল।





মাক-দেউতাকে তাইক চিকিৎসকৰ ওচৰলৈ নিলে। চিকিৎসকে তাইক পৰীক্ষা কৰিলে। তেখেতে তাইক দৰৱ এবিধো নিদিলে। তাৰ সলনি কিছু দিহাহে দিলে।

সেই দিহামতে নাজিয়াই মাক-দেউতাকৰ লগত বহি দৈনিক কৰিবলগীয়া কামৰ এখন তালিকা যুগুত কৰিলে।



## নাজিয়াৰ দৈনিক কামৰ তালিকা



| | | |
|---|---|---|
| পুৱা | ঃ | সোনকালে শুই উঠা। |
| | ঃ | দাঁত মাজি হাত-মুখ ধোৱা। |
| | ঃ | কচৰৎ কৰা। |
| | ঃ | চাহ-জলপান খোৱা। |
| | ঃ | পঢ়িবলৈ বহা। |
| | ঃ | গা-ধোৱা। |
| | ঃ | আহাৰ খোৱা। |
| | ঃ | বিদ্যালয়লৈ যোৱা। |
| আবেলি | ঃ | সমনীয়াৰ লগত খেলা। |
| | ঃ | গধূলি হাত-ভৰি ধুই প্ৰাৰ্থনা কৰা। |
| ৰাতি | ঃ | পঢ়িবলৈ বহা। |
| | ঃ | আহাৰ গ্ৰহণ কৰা। |
| | ঃ | শুবলৈ যোৱা। |







### কওঁ আহা —

ক) মাক-দেউতাকে নাজিয়াক ক'লৈ নিছিল?

খ) নাজিয়াৰ কি হৈছিল?

গ) নাজিয়াই ৰাতিপুৱা কি কি কাম কৰে?

ঘ) আমি কিয় গা ধুব লাগে?


ঙ) সমনীয়াৰ লগত কিয় খেলিব লাগে?

চ) তুমি দিনটোত কেইবাৰ আহাৰ খোৱা?


ছ) চিকিৎসকে নাজিয়াক কি দিহা দিছিল?

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটোৰ আধাৰত আন আন সম্ভাব্য পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্ন সুধিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

## তলৰ ছবিসমূহ চাই তুমি কৰা কামবোৰত শুদ্ধ চিন দিয়া —














**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক তেওঁলোকৰ ভাল অভ্যাস বা আচৰণৰ বাবে উৎসাহিত কৰিব আৰু কিছুমান বদ অভ্যাস যেনে- য'তে ত'তে জাবৰ-জোঁথৰ পেলোৱা, মুখত আঙুলি ভৰোৱা আদি কামবোৰৰ অপকাৰিতা বুজাই দিব আৰু কৰিবলৈ মানা কৰিব।

শুনো আৰু কওঁ আহা —


ঢল ঢৰা ঢাকোন ঢোল

উণ উহ উষা উনৈছ

ছবিৰ নামবোৰ কওঁ আহা —








'উ', আৰু 'ঢ' আখৰত ঘেৰ দিওঁ আহা —

**উষাহঁতৰ গাঁওখনৰ নাম ঢলগিৰী।**

**গাঁওখনৰ মাজেৰে এটা পানীৰ ঢল নামি গৈছে।**

**উষাই উণ গুঠি ভাল পায় আৰু তাইৰ ভায়েকে ঢোল বজায়।**

লিখোঁ আহা—



উ




ঢ


**শিক্ষকলৈ নিৰ্দেশনা ঃ** 'উ' আৰু 'ঢ' ধ্বনিৰে আৰম্ভ হোৱা আন ধ্বনিবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

উ — ু

তলৰ ছবিবোৰৰ নাম কওঁ আহা —





এই নামবোৰৰ প্ৰথম ধ্বনিবোৰ কি শুনিছা কওঁ আহা—

গাওঁ আহা —

কুলিয়ে কৰে কুউ কুউ
ভোমোৰাই কৰে গুণ গুণ,
মেকুৰীয়ে কৰে মিউ মিউ
পাৰই দিয়ে ৰুণ।



তলত দিয়া ধ্বনিবোৰ শুনো আৰু কওঁ আহা —

কু লু মু নু ৰু গু শু হু

‘ক’, ‘ল’, ‘ম’, ‘ন’, ‘ৰ’, ‘গ’, ‘শ’ আৰু ‘হ’ৰ সৈতে আৰু কি কি ধ্বনি শুনিছা কওঁ আহা।



কুলি

*জানো আহা*

*উৰ পৰা উ- কাৰ ‘ ু ’*

*ক-ৰ লগত উ-কাৰ ( ু ) যোগ হৈ ‘কু’ হৈছে।*

## পঢ়োঁ আহা—

গৰু পহু শিশু

গুৰ গুৰু আশু

সুহুৰি নহৰু

**জানো আহা —**

গ, শ, ৰ আৰু হ আদিৰ লগত ‘ ু ’ কাৰ লগ লাগিলে ৰূপ সলনি হয়।

গু ⟷ গু  ৰু ⟷ ৰু  শু ⟷ শু


হু ⟷ হু

## খালী ঠাই পূৰ কৰি পঢ়োঁ আহা—










কু.....ৰ  .....লি  .....তলা  .....ৰু

## কোন ক'লৈ যাব —













শিক্ষকলৈ নিৰ্দেশনা ঃ ‘বু’, ‘ৰু’, ‘কু’, ‘লু’, ‘মু’, ‘নু’, ‘পু’, ‘তু’, ‘থু’ আদি আখৰেৰে আৰম্ভ হোৱা আন আন শব্দবোৰ ক’বলৈ উৎসাহিত কৰিব। লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

তলৰ শব্দকেইটা পঢ়ি ছবি আকোঁ আহা —

| ঢোল | ঘৰ |
|---|---|
| | |

অঙ্গ-ভঙ্গী কৰি গাওঁ আহা —





পুৱাতেই শুই উঠি
মাজোঁ মই দাঁত,
মুখ ধুই পানী খাই
লওঁ মই পাঠ।
পানী ঢালি গা ধোওঁ
চাবোন লগাই,
হাত ধুই ভাত খাওঁ
চোবাই চোবাই।





পঢ়োঁ আহা —

আজি জোনাক ৰাতি। আকাশত জোন ওলাইছে।
আইতাই চোতালত বহি সাধু কৈছে।

**শিক্ষকলৈ নির্দেশনা ঃ** পদ্যটো অঙ্গ-ভঙ্গীৰে শিকাৰুৰ সৈতে গাব। শিকাৰুক অঙ্গ-ভঙ্গীৰে গাবলৈ দিব।পদ্যটোৰ আধাৰত আলোচনা অনুষ্ঠিত কৰিব। আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্নসমূহৰ সহায় ল'ব, যেনে ক) তুমি কেতিয়া দাঁত মাজা? খ) তুমি হাত-মুখ কিয় ধোৱা? গ) তুমি গাত কেনেকৈ পানী ঢালা? ঘ) ভাত চোবাই নাখালে আমাৰ কি হ'ব পাৰে? শিক্ষকে ঘৰুৱাভাষাত কথা পাতিবলৈ সুবিধা দিব। শিকাৰুৱে জনা আন পদ্যবোৰ গাবলৈ দিব।

# শিকন ফলাফল



- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব; কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত /পদ্য গাব/আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰৱ-পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰৰে নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- কেইবাটাও পদক্ষেপেৰে গঠিত নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (এটা সময়ত ৮-৯ টা নিৰ্দেশনা)
- ছবি আৰু পাঠৰ পৰা নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষা(L1, অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে ধ্বনি যোগ কৰি শব্দ গঠন কৰিবলৈ শিকিব আৰু শব্দ ভাঙি ধ্বনিবোৰ উলিয়াব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ (ভ, ঔ, হ, ঊ, ঢ, ) আৰু স্বৰচিহ্ন উ-কাৰ ( ু) চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনিৰ সৈতে সংযোগ কৰিব পাৰিব।
- বহু শব্দাংশ যুক্ত শব্দ পঢ়িব পাৰিব। (ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি)
- ছবিৰ সহায়ত বা ছবি নোহোৱাকৈ থকা পাঠ পঢ়িবলৈ আৰম্ভ কৰিব।
- চুটি পদ্য পঢ়িব আৰু পদ্যৰ আক্ষৰিক অৰ্থ বৰ্ণনা কৰিব পাৰিব।
- শব্দ আৰু চুটি বাক্যৰে ছবি কাৰ্ড চাই বৰ্ণনা কৰিব পাৰিব।

# পুনৰালোচনা

**পঢ়া —**

| | | | |
|---|---|---|---|
| চিৰা | ছাল | জাকৈ | জাল |
| পহু | গাৰু | সুচল | ফচল |
| ভৈৰৱ | মৈদাম | শিমলু | সৰিয়হ |

**ছবি চাই নাম লিখা —**



.................. .................. .................. ..................

.................. .................. .................. ..................

**শিক্ষকলৈ নিৰ্দেশনা ঃ** লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহীৰ ব্যৱহাৰ কৰিবলৈ দিব।

ছবিৰ সৈতে আঁচ টানি মিলোৱা —

ফুলত ভোমোৰা পৰিছে।



গৰু গোহালিত শুইছে।



মিনুৱে চাইকেল চলাইছে।



তলৰ আখৰ-জালৰ পৰা আখৰ বিচাৰি শব্দ গঠন কৰি পঢ়োঁ আৰু লিখোঁ আহা —

| | | | | |
|---|---|---|---|---|
| ৰি | ফা | হা | ত | শি |
| চা | গু | ৰ | গ | য়া |
| পা | ন | মো | ৰ | ল |

......... ......... ......... ......... .........

......... ......... ......... ......... .........

......... ......... ......... ......... .........

......... ......... ......... ......... .........

পঢ়োঁ আহা —

জুমনে ছাতি মেলিছে।

মিতুৱে জাকৈৰে মাছ ধৰিছে।

শিক্ষকলৈ নিৰ্দেশনা ঃ লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

অধ্যায় ৭

# আমাৰ প্ৰকৃতি

## পাঠ - ১

## মাটিৰ পুতলা

A1K4G9

শুনো আহা—

আজি জিল্‌মিল্ আৰু চামেলি তেওঁলোকৰ ককাকহঁতৰ ঘৰলৈ আহিছে। ককাকহঁত থকা গাঁওখনৰ নাম মৌবন। ককাকহঁতৰ ঘৰৰ কাষতে এখন ধাননি পথাৰ আছে। দিনটো ধাননিৰ মাজে মাজে দুয়ো ফুৰিলে। ৰাতি দুয়ো আইতাকৰ লগত শুই থাকিল।





'কুক্‌ৰু কু কু, কুক্‌ৰু কু কু', বুলি ৰাতিপুৱাই কুকুৰা এটাই ডাক দিলে। জিল্‌মিল্ আৰু চামেলিয়ে সাৰ পালে। দুয়ো ৰাতিপুৱা ককাকৰ লগত পথাৰলৈ গ'ল।

ককাকৰ পাছে পাছে সিহঁত খচক্ খচক্‌কৈ পথাৰৰ বোকা-পানীত আগবাঢ়ি গ'ল। জপংকৈ এবাৰ দুয়ো জঁপিয়াই চালে। বোকা-পানীবোৰ সিহঁতৰ গালে-মুখে ছিটিকি পৰিল। ককাকে সিহঁতক বাধা দিলে। অলপ পিছত দুয়ো আকৌ জঁপিয়ালে।





দুয়ো বোকাৰে লুতুৰি-পুতুৰি হ'ল। সিহঁতক দেখি ওচৰতে ভূই ৰুই থকা খুৰীয়েক, পেহীয়েকহঁতে খিল্‌খিল্‌কৈ হাঁহিবলৈ ধৰিলে।



তেওঁলোকে দুয়োকে ওচৰৰ গছজোপাৰ তললৈ লৈ আহিল। পিছত দুয়ো গছৰ তলত বোকামাটিৰে পুতলা সাজি খেলি থাকিল।

**কথা পাতোঁ আহা —**

ক) চামেলিহঁত কাৰ ঘৰলৈ আহিছিল?

খ) ৰাতিপুৱাই কিহে ডাক দিছিল আৰু কেনেকৈ দিছিল?

গ) খুৰীয়েক আৰু পেহীয়েকহঁতে কিয় হাঁহিছিল?

ঘ) ৰাতিপুৱা শুই উঠাৰ পাছত তুমি কি কি দেখা আৰু শুনিবলৈ পোৱা?

ঙ) সিহঁতে বোকামাটিৰে কি কি পুতলা সাজিছিল বুলি ভাবা?

**প্ৰকল্প ঃ**

**মাটিৰে চাকি সাজোঁ আহা—**

ক) অলপমান কুমাৰ মাটি বা আলতীয়া মাটি লোৱা।

খ) মাটিখিনি পানীৰে মথি কোমল কৰি লোৱা।

গ) এতিয়া এটা চাকি সাজা।

ঘ) ৰ'দত শুকুৱাই লোৱা।

ঙ) এতিয়া তোমাৰ মনৰ পছন্দমতে ৰং কৰা।


---

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটো শিকাৰুৰ প্ৰয়োজন সাপেক্ষে একাধিকবাৰ পঢ়ি শুনাব। পাঠটোৰ আধাৰত আন আন পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্ন সুধিব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

ছবিৰ নামৰ প্ৰথম আখৰবোৰত ঘেৰ দি কওঁ আহা — **ঈ, খ, ঘ, ঢ়, ঠ, ৌ**



**ঈগল**



**খৰম**




**ঘৰ**


শব্দবোৰ শুনি শেষৰ ধ্বনিটো কওঁ আহা —

| | | | |
|---|---|---|---|
| সুখ | সখা | মুখ | মুখা |
| বাঘ | উঘা | ঈদ | ঈগল |

লিখোঁ আহা —



ঈ



খ



ঘ

ছবিৰ কাষত ছবিৰ নাম সম্পূৰ্ণকৈ লিখি পঢ়োঁ আহা —



....লৈ




মে....



....ড়ী

**শিক্ষকলৈ নিৰ্দেশনা ঃ** শেষৰ ধ্বনি 'সখা', 'উঘা' আদি শব্দ কওঁতে শেষৰ ধ্বনি 'খ'/'খা'/'আ', 'ঘ'/'ঘা'/'আ' আটাইকেইটাকে শুদ্ধ বুলি গণ্য কৰিব। লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহীৰ ব্যৱহাৰ কৰিবলৈ দিব।

## পঢ়োঁ আহা —



খেতি কৰা লোকক খেতিয়ক বোলে।
খেতিয়কে পথাৰত হাল বাইছে।



এইখন ফৈচালীৰ ফুলনি।
ফুলনিত নানা ৰঙৰ ফুল আছে।



আইতাই জুইত আলু পুৰিছে।
পোৰা আলুৰ পিটিকা বৰ সোৱাদ।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** বাক্যকেইটা পঢ়িব পৰা হ'লে শিকাৰুৰ সৈতে বাক্যৰ লগত জড়িত ছবিবোৰৰ বিষয়ে কথা পাতিব, পথাৰত কি কি দেখিছে, ফুলনিত কি কি ৰঙৰ ফুল আছে, গোমধান খাইছেনে? পোৰা আলু-পিটিকা খাই পাইছেনে ইত্যাদিৰ বিষয়ে কথা পাতিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাৰ সহায় ল'ব।

পাঠ - ২

# বৰষুণ

গাওঁ আহা-

টিপ্ টিপ্ টিপ্ টিপ্
বৰষুণ পৰে
আকাশৰ পানীবোৰ
পৃথিৱীত সৰে।

নই জান খাল বিল
ভৰি ভৰি যায়
কণ কণ ভেকুলীয়ে
মূৰ তুলি চায়।



**কওঁ আহা —**

ক) পদ্যটোত টিপ্‌টিপ্‌কৈ কি পৰাৰ কথা কৈছে?

খ) নৈ, খালত পানী দেখিলে তোমাৰ কি কৰিবলৈ মন যায়?

গ) **ভাবোঁ আৰু কওঁ আহা—**

⇨ মাছ পানীত থাকে। ভেকুলী ক'ত ক'ত থাকে বাৰু?


⇨ আকাশত তুমি কি কি দেখা পোৱা?

---

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পদ্যটো অঙ্গ-ভঙ্গীৰে শিকাৰুৰ সৈতে গাব। শিকাৰুক অঙ্গ-ভঙ্গীৰে গাবলৈ দিব। পদ্যটোৰ আধাৰত আলোচনা অনুষ্ঠিত কৰিব। আলোচনাৰ বাবে আবদ্ধ আৰু মুক্ত পৰিসৰৰ প্ৰশ্নসমূহৰ সহায় ল'ব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক প্ৰাধান্য দিব।

বিঃদ্ৰঃ উক্ত পদ্যটি কবি যতিনাৰায়ণ শৰ্মাৰ পদ্য 'বৰষুণ'ৰ পৰা প্ৰথম আঠ শাৰী তুলি অনা হৈছে। গ্ৰন্থঃ মৰুৰা ফুল, পৃষ্ঠা নং ৮৯। অষ্টম প্ৰকাশ, ২০২১। পদ্যটিত কবিয়ে 'নই' শব্দৰে 'নৈ'ক বুজাইছে।

ছবিৰ নামৰ প্ৰথম ধ্বনি কওঁ আহা —



ঠ

ছবিৰ নামৰ মাজৰ ধ্বনি কওঁ আহা —



ঢ়

পঢ়োঁ আহা —

আমাৰ খুৰা বাঢ়ে  
সাজে বাঁহৰ মূঢ়া,  
ঠগাত থৈ পুথিখন  
সুৰ লগাই পঢ়া।



ওপৰৰ শাৰীকেইটাত পোৱা ‘ঠ’ আৰু ‘ঢ়’ বৰ্ণত ঘেৰ দিওঁ আহা —


পঢ়োঁ আহা —

মূঢ়া ঠগা ঠেলা বুঢ়া বাঢ়ে

লিখোঁ আহা —



ঠ



ঢ়

শিক্ষকলৈ নিৰ্দেশনা ঃ ‘ঠ’ ধ্বনিৰে আৰম্ভ হোৱা আন শব্দবোৰ ক’বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

গাওঁ আহা —



হলৌ উঠিল টকৌ গছত

লগাই খদৌ মদৌ,

জৌ জৌ কৈ সৰিল নিয়ৰ

হ'ল জলৌ জপৌ।

শুনো আৰু কওঁ আহা —

ভাটৌ নৌকা কপৌ চৌকা

ঢৌ কৌপাত মৌমাখি ৰৌ মাছ

**ওপৰৰ শব্দবোৰ চাই ঔ-কাৰ ( ৌ ) থকা আখৰকেইটা লিখোঁ আহা —**

.......... .......... .......... ..........

.......... .......... .......... ..........

পঢ়োঁ আহা —

**সুমনৰ ঘৰ পাহাৰৰ ওচৰত।**
**পাহাৰত বহুতো গছ-গছনি আছে।**
**পাহাৰৰ পৰা নিজৰা বয়।**



**কাষৰ বাকচটোৰ পৰা উপযুক্ত আখৰ আনি শব্দবোৰ সম্পূৰ্ণ কৰোঁ আহা—**


..........ণ ঢো.......... ..........কা

..........কোন ..........নৈছ ..........মাখি

| | |
|---|---|
| উ | ঢা |
| লা | মৌ |
| চৌ | ল |

বিঃদ্রঃ ওপৰৰ পদ্যটো 'কুঁহিপাঠ' প্ৰথমভাগ একাদশ তাঙৰণ (১৯৯৭)ৰ পৃষ্ঠা নং-৪৪ ৰ পৰা লোৱা হৈছে।

## ছবি চাই কথা পাতোঁ আহা—




## কওঁ আহা —

ক) নদীখনত কোনে কোনে গা ধুই আছে ছবিখন চাই কোৱা।

খ) হাতীয়ে কেনেদৰে গা ধুইছে?

গ) বান্দৰ পোৱালিটোক কোনে গা ধুৱাই দিলে?

ঘ) হাতীয়ে শুঁৰেৰে গা ধুইছে। হাতীয়ে আৰু কি কি কাম শুঁৰেৰে কৰা দেখিছা?

---

**শিক্ষকলৈ নির্দেশনা ঃ** ছবিখন দেখুৱাই কাহিনীটোত কি কি হৈছে আলোচনা কৰিবলৈ পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) আন আন সম্ভাব্য প্ৰশ্ন সুধিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

## শিকন ফলাফল

- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব; কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত /পদ্য গাব/আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰৱ পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰৰে নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- ছবি আৰু পাঠৰ পৰা নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষা(L1, অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে ধ্বনি যোগ কৰি শব্দ গঠন কৰিবলৈ শিকিব আৰু শব্দ ভাঙি ধ্বনিবোৰ উলিয়াব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ (ঈ, খ, ঘ, ঢ, ঠ, ৌ) আৰু স্বৰচিহ্ন ঔ-কাৰ (ৌ) চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনিৰ সৈতে সংযোগ কৰিব পাৰিব।
- বহু শব্দাংশ যুক্ত শব্দ পঢ়িব পাৰিব। (ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি)
- ছবিৰ সহায়ত বা ছবি নোহোৱাকৈ থকা পাঠ পঢ়িবলৈ আৰম্ভ কৰিব।
- চুটি পদ্য পঢ়িব আৰু পদ্যৰ আক্ষৰিক অৰ্থ বৰ্ণনা কৰিব পাৰিব।
- শব্দ আৰু চুটি বাক্যৰে ছবি কাৰ্ড চাই বৰ্ণনা কৰিব পাৰিব।

## পুনৰালোচনা

**তলৰ শব্দবোৰ পঢ়ি একে আখৰেৰে আৰম্ভ হোৱা শব্দবোৰ বাকচৰ ভিতৰত লিখোঁ আহা—**

ঊণ ঈদ ঘাট খৰম ঢাকোন

ঈগল খৰাহি ঊনৈছ ঢোল ঘোঁৰা

| | | | | |
|---|---|---|---|---|
| ঊণ<br>ঊনৈছ | | | | |

**শুনা আৰু উত্তৰ কোৱা —**

মিনি আৰু আৰতি একেলগে পঢ়ে। মিনিহঁতৰ ঘৰ চাহ বাগিচাত।
আৰতিৰ ঘৰ নগৰত। আৰতিয়ে মিনিৰ পৰা ঝুমুৰ নাচিবলৈ শিকিছে।

ক) মিনিৰ ঘৰ ক'ত?

খ) কাৰ ঘৰ নগৰত?

গ) আৰতিয়ে মিনিৰ পৰা কি শিকিছে?

**পঢ়া —**

খালৈ বাঘ ঈদ ঢৰা ঊণ

শিয়ালে হোৱা দিয়ে। বাঘে গোজৰে।
কুকুৰে ভুকে। মিউ মিউ কোনে কৰে?

# বতৰৰ কথা

F8R3G9

## পাঠ - ১

## বতৰৰ কথা

গাওঁ আহা—




ব'হাগ মাহত নতুন বছৰ
জেঠত বৰ খৰ,
আহাৰ মাহত আমৰ বতৰ
শাওণত বাৰিষা ভৰ।



ভাদ মাহত গুৰুৰ তিথি
আহিনত শেষ বান,
কাতি মাহত কুঁৱলী পৰে
আঘোণত পকে ধান।




পুহ মাহত বৰ জাৰ
পিঠা-পনা মাঘত,
ফাগুন মাহত পছোৱা বতাহ
বছৰৰ শেষ চ'তত।






**শিক্ষকলৈ নিৰ্দেশনা ঃ** পদ্যটো শুদ্ধ উচ্চাৰণেৰে গাবলৈ শিকাব। পদ্যটোৰ আধাৰত আলোচনা অনুষ্ঠিত কৰিব। আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) আন আন সম্ভাব্য প্ৰশ্ন সুধিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

**বিঃদ্ৰঃ** ওপৰৰ পদ্যটো 'অংকুৰণ' প্ৰথমভাগ ত্ৰয়োদশ প্ৰকাশ (২০২২ চনৰ সংশোধিত) পৃষ্ঠা নং-১০৬ ৰ পৰা লোৱা হৈছে।

## মাহৰ নামবোৰ জানো আহা —

| | | | |
|---|---|---|---|
| ব'হাগ | জেঠ | আহাৰ | শাওণ |
| ভাদ | আহিন | কাতি | আঘোণ |
| পুহ | মাঘ | ফাগুন | চ'ত |

## বাঁওফালৰ লগত সোঁফালৰ পৰা শব্দ লগ লগাই লিখোঁ আহা —

আমৰ বতৰৰ মাহ .................................. ।

ধান পকা মাহ .................................. ।

ফাগুন মাহত ......................... বতাহ।

শাওণ মাহত ভৰ .................................. ।

আহাৰ
পছোৱা
বতাহ
আঘোণ
বাৰিষা

## ছবি চাই মাহবোৰৰ নাম লিখোঁ আহা —






............... ............... ............... ...............

............... ............... ............... ...............

শিক্ষকলৈ নিৰ্দেশনা ঃ লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব। আমি কোন কোন মাহত কি কি ফল পাওঁ, শিকাৰুৰ সৈতে আলোচনা কৰিব।

## ছবি চাই নামৰ প্ৰথম ধ্বনি কওঁ আহা —

ট, ঋ, দ, য, ঞ, ঝ, ষ, ী




ট



ঋ



য



দ


## গাওঁ আহা আৰু 'ট' থকা শব্দবোৰত ঘেৰ দিওঁ আহা —




টকৌ গছত শাৰী শাৰী
টোকোৰাৰ বাহ,
কোনে বায় টোকাৰী
শুনোগৈ আহ।



## লিখোঁ আহা —



ট



ঋ



য




দ


---

**শিক্ষকলৈ নিৰ্দেশনা ঃ** 'ট, 'ঋ', 'য', আৰু 'দ' ধ্বনিৰে আৰম্ভ হোৱা আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

খালী ঠাইত উপযুক্ত আখৰ লিখি শব্দ গঠন কৰোঁ আহা —









..........ষি

..........পৌ

..........কা

..........গা

..........কৈ

| | |
|---|---|
| ঋ | ক |
| ট | মা |
| দ | |

পঢ়োঁ আহা—

| | | | |
|---|---|---|---|
| ঋতু | টোপাল | টোপোলা | টোকাৰী |
| দাপোণ | দেউল | মৌমাখি | কৈলাশ |

সাঁথৰ ভাঙোঁ আহা —

টুপ্ টুপ্ টুপলি,
পানী পালে মুকলি।



গাওঁ আহা —




ৰ'দে, বৰষুণে খঁৰা শিয়ালৰ বিয়া
ঘনচিৰিকাই তামোল কাটে
আমাকো এখন দিয়া।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

বাক্য পঢ়োঁ আহা—

যদু হাল বাবলৈ গৈছে।





মুনিজন গছৰ তলত বহি আছে।



দমকলৰ পৰা পানী ওলাইছে।



টোকোৰা চৰায়ে বাহ সাজিছে।



ভাবোঁ আৰু কওঁ আহা —

পানী আৰু ক'ত ক'ত পোৱা যায় বাৰু?

পাঠ - ২

শুনো আহা —

# বেলি আৰু বতাহ




এদিনাখন বেলি আৰু বতাহৰ মাজত মতভেদ হ'ল। বেলিয়ে ক'লে—"মই বৰ বলৱান।" বতাহে ক'লে—"তোমাতকৈ মোৰহে বল বেছি।" অৱশেষত দুয়ো কোন বেছি বলৱান তাৰ প্ৰমাণ চাবলৈ ঠিক কৰিলে।



সেই সময়তে সেইফালেৰে এজন বাটৰুৱা গৈ আছিল। বাটৰুৱাজনে গাত এখন এৰী চাদৰ লৈ আছিল। বেলিয়ে ক'লে—"এই বাটৰুৱাজনৰ গাৰ এৰী চাদৰখন যিয়ে গুচাব পাৰিব সিয়ে বেছি বলৱান হ'ব।" বতাহে ক'লে—"তেন্তে ময়েই প্ৰথমতে আৰম্ভ কৰোঁ।" বতাহ জোৰকৈ বলিবলৈ ধৰিলে। বাটৰুৱাজনে এৰী চাদৰখন ভালদৰে গাত মেৰিয়াই ল'লে। বহুত চেষ্টা কৰিও বতাহে বাটৰুৱাৰ গাৰ পৰা চাদৰখন গুচাব নোৱাৰিলে।

এইবাৰ বেলিৰ পাল পৰিল। বেলিয়ে নিজৰ তাপ বঢ়াই দিলে। বাটৰুৱাজনে গৰম সহিব নোৱাৰি গাৰ কাপোৰখন গুচাই দিলে।বতাহে ক'লে—"বেলি, তুমি জিকিলা। তুমিয়েই অধিক বলৱান।" তেতিয়া বেলিয়ে ক'লে—"আচলতে নিজ নিজ কামত সকলো ডাঙৰ। তুমিও মোতকৈ কম বলৱান নহয়।"



**কথা পাতোঁ আহা —**

ক) বেলি আৰু বতাহৰ কিয় মতভেদ হৈছিল?

খ) অৱশেষত বেলি আৰু বতাহে কেনেকৈ বল জুখিবলৈ ঠিক কৰিলে?

গ) বতাহ জোৰকৈ বলাত বাটৰুৱাজনে কি কৰিলে?

ঘ) বেলিৰ তাপ বঢ়াত বাটৰুৱাজনে কি কৰিলে?

ঙ) বেলি আৰু বতাহৰ মাজত কোন জিকিল?

চ) বাটৰুৱাৰ গাৰ কাপোৰ গুচোৱাৰ সলনি কি প্ৰতিযোগিতা কৰিলে বতাহ জিকিলহেঁতেন, কওঁ আহা।

ছ) আমি দিনটোৰ কোনখিনি সময়ত বেছি গৰম অনুভৱ কৰোঁ?

**জোৰকৈ বতাহ বলিলে কি হয় আৰু ৰ'দৰ তাপ বাঢ়িলে কি হয় ছবি চাই কওঁ আহা —**








শিক্ষকলৈ নিৰ্দেশনা ঃ পাঠটো শিকাৰুৰ প্ৰয়োজন সাপেক্ষে একাধিকবাৰ পঢ়ি শুনাব। পাঠটোৰ আধাৰত পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) আন আন সম্ভাব্য প্ৰশ্ন সুধিব। কথোপকথনত শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

গাওঁ আহা —

ৰঙা নীলা ছাতি এটি
মোমায়েকে দিলে,
চিঞৰ বাখৰ কৰি
ৰুণজুনে খেলে।
কিন্ কিন্ কিন্ কিন্
বৰষুণ পৰে,
ঝাওবনবোৰচোন
বতাহতে লৰে।





ছবি চাই নাম কওঁ আহা —


**ঞ** **ঝ** **ষ**



জিঞা



ঝুমুৰ



ষাঁড়



টিঞা



ঝাড়ু

৬০

ষাঠি

‘ঞ’, ‘ঝ’ আৰু ‘ষ’ থকা শব্দত ঘেৰ দিওঁ আহা—

**বৰষুণ পৰি আছে। বতাহত ঝাওবন হালি জালি আছে।**
**ঝাওবনবোৰত জিঞা পৰিছে।**

## খেলোঁ আহা —

শিক্ষকে 'ঞ', 'ষ', 'ঝ' আখৰৰ ফলক তৈয়াৰ কৰিব আৰু এইদৰে খেল খেলিব।


শুনাচোন শুনা,
'ঞ' ফলক লোৱাজন
আগবাঢ়ি আহা ।




## লিখোঁ আহা —



ঞ



ষ

ঝ


## পঢ়োঁ আহা —

**চিঞৰ জিঞা ঝাডু বৰষা তুষাৰ কাষ**

**কিন্‌কিনীয়া বৰষুণ দিছে।**

**ঋষিৰ ভৰিত খৰম আছে।**






**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীসকলক শাৰী পাতি থিয় হ'বলৈ দিব। ওপৰত দিয়া পদ্যফাকি গাব আৰু 'ঞ' আখৰৰ ফলক থকা ছাত্ৰ-ছাত্ৰীক আগুৱাই আহিবলৈ দিব। তেনেদৰে 'ষ' আৰু 'ঝ' আখৰকেইটাৰ ক্ষেত্ৰতো খেলটো খেলাব। লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

তলত দিয়া ধ্বনিবোৰ শুনো আৰু কওঁ আহা —

ঈ — ী




তী, কী, ৰী, লী, শী

'ত', 'ক', 'ৰ', 'ল', আৰু 'শ'ৰ সৈতে আৰু কি কি ধ্বনি শুনিছা কওঁ আহা।

জানো আহা


ঈৰ পৰা ঈ-কাৰ 'ী'

ত-ৰ লগত ঈ-কাৰ (ী) যোগ হৈ 'তী' হৈছে।

লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা—

| | | | |
|---|---|---|---|
| ছা গ লী | | কা উ ৰী | |
| ছো ৰা লী | | বা ঢ় নী | |

ছবিৰ নাম লিখোঁ আহা—



................

................




................

................



................

................



................

................



................

................

শিক্ষকলৈ নিৰ্দেশনা ঃ লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে ফোঁটাবহী ব্যৱহাৰ কৰিবলৈ দিব।

তলৰ আখৰ-জালৰ পৰা আখৰ বিচাৰি শব্দ গঠন কৰি পঢ়োঁ আৰু লিখোঁ আহা —

| | | | |
|---|---|---|---|
| ঠ | গা | গু | বু |
| ল | ৰু | টি | ঢ়া |
| ব | ঠা | খু | ৰ |
| গ | ল | ঢ়া | থ |

........... ........... ...........
........... ........... ...........
........... ........... ...........
........... ........... ...........

পঢ়োঁ আহা —

এক আছিল বুঢ়া।
ভাত নহ'ক, পানী নহ'ক
লাগে জুই কুৰা।।
লুৰি আনে খৰি।
ফুট গধূলি জুই ধৰে
আশা-দশা কৰি।।



সোঁফাল আৰু বাঁওফালৰ শব্দাংশবোৰ লগ লগাই শব্দ লিখোঁ আহা—

| | | |
|---|---|---|
| পঢ়া | পঢ়াশালি | শালি |
| দম | .................. | কল |
| ঠেলা | .................. | গাড়ী |
| | .................. | |
| | .................. | |
| | .................. | |

বিঃদ্রঃ উক্ত পদ্যটি কবি নৰকান্ত বৰুৱাৰ দ্বাৰা সম্পাদিত 'মৰুৰা ফুল' গ্ৰন্থ(অষ্টম প্ৰকাশ-২০২১ পৃষ্ঠা- ২৬১)ৰ পৰা প্ৰথম ছয় শাৰী তুলি দিয়া হৈছে।

## পঢ়োঁ আহা—

আঘোণ মাহ।

পথাৰত ধানবোৰ পকিছে।

দাৱনীয়ে ধান দাইছে।

সোণটিয়ে টোপোলাত

জলপান আনিছে।



## কোৱা —

ক) ধানবোৰ ক'ত পকিছে?

খ) কোনে ধান দাইছে?

গ) সোণটিয়ে জলপান কিহত আনিছে?

## গাওঁ আহা —




বৰষুণৰ বতৰত মইনা নুঠে মটৰত
বৰষুণৰ বতৰত মইনা নুঠে মটৰত
পিছল বাটত সুচল লাগি
ধুপুচ্ ধুপচ্ পৰে
মইনাৰে মনটো বৰদৈচিলা হে
মেঘলৈ উৰা মাৰে
মেঘলৈ উৰা মাৰে।
বৰষুণৰ বতৰত মইনা নুঠে মটৰত
বৰষুণৰ বতৰত মইনা নুঠে মটৰত।।

কণ্ঠ ঃ খগেন মহন্ত, কথা ঃ কেশৱ মহন্ত

শিক্ষকলৈ নিৰ্দেশনা ঃ ছাত্ৰ-ছাত্ৰীসকলক গীতটো তথ্য-প্ৰযুক্তিৰ সহায়ত শুনাব আৰু সুৰত গাবলৈ উৎসাহিত কৰিব।

# শিকন ফলাফল

- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব; কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত/পদ্য গাব/আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰৱ পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- কেইবাটাও পদক্ষেপেৰে গঠিত নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (এটা সময়ত ৮-৯ টা নিৰ্দেশনা)
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰৰে নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- ছবি আৰু পাঠৰ পৰা নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষা(L1, অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে ধ্বনি যোগ কৰি শব্দ গঠন কৰিবলৈ শিকিব আৰু শব্দ ভাঙি ধ্বনিবোৰ উলিয়াব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ (ট, ঋ, দ, য, ঞ, ঝ, ষ) আৰু স্বৰচিহ্ন ঈ-কাৰ ( ী) চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনিৰ সৈতে সংযোগ কৰিব পাৰিব।
- বহু শব্দাংশ যুক্ত শব্দ পঢ়িব পাৰিব। (ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি)
- ছবিৰ সহায়ত বা ছবি নোহোৱাকৈ থকা পাঠ পঢ়িবলৈ আৰম্ভ কৰিব।
- চুটি পদ্য পঢ়িব আৰু পদ্যৰ আক্ষৰিক অৰ্থ বৰ্ণনা কৰিব পাৰিব।
- শব্দ আৰু চুটি বাক্যৰে ছবি কাৰ্ড চাই বৰ্ণনা কৰিব পাৰিব।

## পুনৰালোচনা


### লগ লগাই পঢ়াঁ আৰু লিখা—

য ত ন ⟶ ........................................

ব ৰ ষু ণ ⟶ ........................................

ঠে লা গা ড়ী ⟶ ........................................

### ছবিত দেখা বস্তুবোৰৰ নাম লিখা —



অধ্যায়-৯

# যাতায়াত আৰু যোগাযোগ

ছবি চাই কথা পাতোঁ আহা—






**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছবিখন দেখুৱাই সমূহীয়াভাৱে আৰু দলগতভাৱে কথোপকথন বা আলোচনাৰ বাবে পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্নসমূহৰ অৱতাৰণা কৰিব। যেনে- তোমালোকে ছবিখনত কি কি দেখিছা? নাৱত থকা মাছমৰীয়াজনে কি কৰিছে? ছবিত দেখা কোনবোৰ যান-বাহনত তুমি উঠি পাইছা? শিকাৰুক প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ উৎসাহিত কৰিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

পাঠ - ১

# জোনলৈ যাওঁ ব'লা

গাওঁ আহা —

জোনমণি, সোণমণি আৰু মণিমালা,
জোনবাইৰ দেশলৈ যাবা নেকি ব'লা।





ৰে'ল নাযায়, বাছ নাযায়
কেনেকৈ যাম?
ৰকেটত উঠি গৈ
জোনবাই পাম।

ৰকেটত উঠি আমি
পৃথিৱীলৈ চাম,
নৈ, বিল, জান, জুৰি,
দেখিবলৈ পাম।





জোনৰ পিঠিত বহি আমি
বনভোজ খাম,
জিক্‌মিক্ তৰাবোৰ
ওচৰতে পাম।

**শিক্ষকলৈ নির্দেশনা ঃ** পাঠটোৰ আধাৰত আন আন সম্ভাব্য পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্ন সুধিব।
বি.দ্ৰঃ পদ্যটি 'অংকুৰণ-প্ৰথম ভাগ' ৰ ১২৫ নং পৃষ্ঠাৰ পৰা লোৱা হৈছে।

ক্ষ, ঙ, ং, ঃ, ৎ, ঁ, ্য, ্ৰ

গাওঁ আহা —

অতিকে সুন্দৰ
হংকং চহৰ।
ৰসগোল্লা খাবলৈ
ভাল ওৱাঙৰ।

ছবিৰ নামবোৰ কওঁ আহা —


ক্ষুৰ



দলং


নাঙল



কচৰৎ

তলৰ ছবিৰ নামত থকা আখৰবোৰ ছবিৰ সৈতে আঁচ টানি মিলাওঁ আহা —





ক্ষ | ং | ঙ


লিখোঁ আহা —

ক্ষ ঙ ং ৎ

| ক্ষ | | ঙ | | ং | | ৎ | |
|---|---|---|---|---|---|---|---|

শিক্ষকলৈ নিৰ্দেশনা ঃ লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

## শব্দ সাজোঁ আহা —

ক্ষ — য়, তি, ণ, মা

সি, মা, ব — ং — সিংহ, ____, ____


উ, উ, উ — ৎ — ____, ____, ____


## পঢ়োঁ আহা —

| | | | |
|---|---|---|---|
| মঙহ | বঙহ | নঙলা | নাঙল |
| মীমাংসা | অংশ | বিংশতি | সংঘ |
| উৎসাহ | উৎপাত | উৎসৱ | উৎখাত |
| বৃক্ষ | লক্ষ | পক্ষী | পক্ষ |

বটবৃক্ষৰ তলত মুনিজনে জপ কৰিছে। হৰিণাৰ মাংসই বৈৰী।
গুণীজনৰ কামত উৎসাহ যোগাবা।

## ছবিৰ নাম লিখোঁ আহা —





**শিক্ষকলৈ নিৰ্দেশনা ঃ** লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

## পঢ়োঁ আহা —



**বৰঝাৰত বিমানঘাটি আছে। বিমানেৰে কম সময়তে অহা-যোৰা কৰিব পাৰি। মাকৰ লগত বিমলা আৰু পুতুল বৰঝাৰলৈ যাব।**

## কওঁ আহা —



ক) বিমলা আৰু পুতুল মাকৰ লগত ক'লৈ যাব?





খ) বিমানঘাটি ক'ত আছে?

গ) তুমি কেতিয়াবা উৰাজাহাজ দেখিছানে?

## তুমি দেখা যান-বাহনবোৰৰ নাম কোৱা আৰু শুদ্ধ চিন দিয়া—



পাঠ - ২

# নাৱেৰে যাত্ৰা

**শুনো আহা —**

"বাঃ কি মজা! আমি আজি ফুৰিবলৈ যাম।" ৰবীন তাৰ বায়েক ৰিজু পায়েঙৰ লগত ৰাতিপুৱাই নাৱত উঠি যাবলৈ ওলাল। বায়েকে তাক আজি মাহীয়েকৰ ঘৰলৈ লৈ যাব।





নাওখনত তাৰ বন্ধু কমলক লগ পাই ৰবীন বৰ আনন্দিত হ'ল। "কমল, আহা আমি খেলোঁ। বৰ ভাল লাগিব।" সিহঁত দুয়োৰে লাইফ-জেকেট পিন্ধি নাওখনৰ ওপৰতেই জঁপিয়াই জঁপিয়াই খেলিবলৈ ধৰিলে।

নাৱৰীয়া কায়ে ক'লে —"ৰ'বা, তোমালোকে এইদৰে জঁপিয়াই নাথাকিবা। ভালদৰে বহি থাকা।"

অলপ সময় বৈ সিহঁতে আকৌ খেলিবলৈ ধৰিলে— "বাঃ, খেলি ইমান যে ভাল লাগিছে!"



হঠাৎ নাওখন বেঁকা হৈ গ'ল। কি হ'ব এতিয়া! লাহে লাহে নাওখনে টুলুং-ভুটুং কৰিবলৈ ধৰিলে। তাকে দেখি ৰবীনে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। নাৱত থকা সকলোৱে বৰ ভয় খালে।

নাৱৰীয়া ককায়ে ক'লে—"সেইবাবেহে মই তোমালোকক ভালদৰে বহি থাকিবলৈ কৈছিলোঁ।"



কমল আৰু ৰবীনে নিজৰ ভুল বুজি পালে। সিহঁত নিজৰ ঠাইত মনে মনে বহি থাকিল।

নাওখন পুনৰ ভালদৰে চলিল। অলপ পিছত সিহঁত দুয়ো সাৱধানে নাৱৰ পৰা নামিল। মাহীয়েকৰ ঘৰলৈ গৈ দিনটো সিহঁতে বহুত আনন্দৰে পাৰ কৰিলে।



**কওঁ আহা—**

ক) ৰবীন কাৰ লগত ফুৰিবলৈ গৈছিল?

খ) নাওখন কিয় টুলুং-ভুটুং কৰিছিল?

গ) নাৱত থকা মানুহবোৰে কিয় ভয় খাইছিল?


ঘ) নাৱৰীয়া ককায়ে সিহঁতক কিয় ভালদৰে বহি থাকিবলৈ কৈছিল?


**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটোৰ আধাৰত আন আন সম্ভাব্য পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্ন সুধিব।

ছবি চাই কওঁ আহা —


ড, ড়, ঁ


ড় ড ঁ















পঢ়োঁ আহা—


**ৰহিমৰ খুৰাক চহৰলৈ যাব।**

**পিছে বতৰটো বৰ ডাৱৰীয়া। এতিয়া তেওঁ কি কৰিব?**

লিখোঁ আহা —



| | | | | |
|---|---|---|---|---|
| ড | ড | ড | | |



| | | | | |
|---|---|---|---|---|
| ড় | ড় | ড় | | |


খেলিমেলিকৈ থকা আখৰবোৰ সঠিকভাৱে সজাই ছবিবোৰৰ নাম লিখোঁ আহা—

এগ্ৰা জি — জিএগ্ৰা ........................

নি য় ল প — ........................

ক ৰি ডঁ না — ........................

গি লা ড় হা — ........................



শুনো আহা —

কৃষক তৃণ নৃপতি গৃহ পৃথিৱী হৃদয়


পঢ়োঁ আহা —

কৃ গৃ তৃ দৃ নৃ মৃ পৃ ভৃ হৃ

জানো আহা
ঋৰ পৰা ঋ- কাৰ ' ৃ '
ক-ৰ লগত ঋ-কাৰ ( ৃ ) যোগ হৈ 'কৃ' হৈছে।
হ -ৰ লগত ঋ-কাৰ ( ৃ ) যোগ হৈ 'হৃ' হৈছে।

শব্দবোৰ পঢ়োঁ আৰু ঋ - কাৰ ( ৃ ) থকা শব্দবোৰ বেৰত লিখোঁ আহা —

আলু গৃহ
তৃণ বাঁহ
সৃজন কৃপণ
ডেউকা কৃষক




পঢ়োঁ আহা —

# তৃণ গৃহ মৃগ কৃপণ


তৃণ মানে ঘাঁহ।


গৃহ মানে ঘৰ।

মৃগ মানে পহু।



ছবি চাই পাৰ্থক্যবোৰ বিচাৰি উলিয়াওঁ আহা —






ফুটবোৰ লগ লগাই লিখোঁ আৰু পঢ়োঁ আহা —

মৃগ কৃপণ কৃষক

তৃণ হাঁহ কাঁহী

ছবি চাই লিখোঁ আহা —



জি.........



ঘ.........



..........ডু



..........হ

বাঁওফালৰ আৰু সোঁফালৰ অংশ লগ লগাই শব্দ লিখোঁ আহা—

| | | |
|---|---|---|
| জি | হ | ............................ |
| ঝা | ড়ী | ............................ |
| গৃ | ডু | ............................ |
| ঘ | ঞা | ............................ |

ছবিখন চাই এটা বাক্য লিখোঁ আহা —



..........................................................

..........................................................

তোমালোকে ছবিত থকা বস্তুবোৰ কেতিয়াবা দেখিছানে? এই বস্তুবোৰ কি কি কামত ব্যৱহাৰ হয় কওঁ আহা —



পঢ়োঁ আৰু লিখোঁ আহা—

| | | | |
|---|---|---|---|
| ডলা | ডালিম | ডাৱৰ | ডেউকা |
| ............... | ............... | ............... | ............... |
| হাঁহ | বাঁহী | গঁড়াল | ভঁড়াল |
| ............... | ............... | ............... | ............... |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** 'ড' ধ্বনিৰে আৰম্ভ হোৱা আন শব্দবোৰ ক'বলৈ উৎসাহিত কৰিব আৰু আখৰকেইটা লিখাৰ অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিব।

## কওঁ আহা —



মূঢ়া

**মূ পূ সূ চূ দূ শূ**

*‘ম’, ‘প’, ‘স’, ‘চ’, ‘দ’ আৰু ‘শ’ৰ সৈতে আৰু কি কি ধ্বনি শুনিছা কওঁ আহা।*

**জানো আহা**

ঊ ৰ পৰা ঊ-কাৰ ‘ ূ ’

ম-ৰ লগত ঊ-কাৰ ( ূ )

যোগ হৈ ‘মূ’ হৈছে।

## লিখোঁ আহা —

সূতা ....................  ধূনা ....................

## পঢ়োঁ আহা —

পূবত সূৰুয ওলাইছে। ধুমুহাত ধূলি উৰিছে।

পদূলিত বকুল ফুলিছে।

## লগে-ভাগে পঢ়োঁ আহা —



উঃ, বৰ গৰম!



আঃ, বৰ আৰাম!



ছিঃ ছিঃ, বৰ লেতেৰা!

## পঢ়োঁ আৰু লিখোঁ আহা —

উঃ .........................  দুঃসহ .........................

আঃ .........................  দুঃশাসন .........................

বাঃ বাঃ .........................  দুঃসাহস .........................

ছিঃ ছিঃ .........................  নিঃকিন .........................

**শিক্ষকলৈ নিৰ্দেশনা ঃ** লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

# শিকন ফলাফল

- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব; কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত/পদ্য গাব/আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰৱ-পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- কেইবাটাও পদক্ষেপেৰে গঠিত নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (এটা সময়ত ৮-৯ টা নিৰ্দেশনা)
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰৰে নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- ছবি আৰু পাঠৰ পৰা নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষা(L1, অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে শব্দ ভাঙি ধ্বনিবোৰ উলিয়াব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ (ক্ষ, ড, ঙ, ড়, ং, ঃ, ৎ) আৰু স্বৰচিহ্ন উ-কাৰ ( ু ) চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনিৰ সৈতে সংযোগ কৰিব পাৰিব।
- বহু শব্দাংশ যুক্ত শব্দ পঢ়িব পাৰিব। (ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি)
- ছবিৰ সহায়ত বা ছবি নোহোৱাকৈ থকা পাঠ পঢ়িবলৈ আৰম্ভ কৰিব।
- শব্দ লিখি ছবি কাৰ্ডৰ বৰ্ণনা কৰিব পাৰিব।
- শব্দ আৰু চুটি বাক্যৰে ছবি কাৰ্ড চাই বৰ্ণনা কৰিব পাৰিব।

# পুনৰালোচনা

## খালী ঠাইত উপযুক্ত আখৰ বহুৱাই শব্দ সাজা —

| | | | | | |
|---|---|---|---|---|---|
| | ও | ব | ন | → | |
| ব | ৰ | | ণ | → | |
| | চি | | ৰ | → | |
| | বা | ৰি | | → | |

যু

ঞ

ঝা

যা

## ছবিত দেখা বস্তুবোৰৰ নাম লিখা —








.......................  .......................  .......................

পঢ়োঁ আহা —



শেৰালি মাকৰ সৈতে মোমায়েকৰ ঘৰলৈ যাব। ডালিমীয়ে তেওঁলোকক আগবঢ়াই দিলে। শেৰালিয়ে ডালিমীক হাত জোকাৰি বিদায় জনালে।

কওঁ আহা —

ক) কোন মোমায়েকৰ ঘৰলৈ গৈছে?

খ) শেৰালিহঁতক কোনে আগবঢ়াই দিলে?

গ) তুমি বাছত উঠি ক'লৈ গৈ পাইছা?

পঢ়োঁ আহা —

**খুৰা এজন কৃষক। তেওঁ ধান খেতি কৰে।**

**তেওঁ বিৰীয়াৰে ডাঙৰি কঢ়িয়াইছে।**

জানো আহা —

স্বৰবৰ্ণমালা (অ- ফলা)

অ আ ই ঈ

উ ঊ ঋ

এ ঐ ও ঔ

| | | | |
|---|---|---|---|
| অ- | আ-া | ই-ি | ঈ-ী |
| উ-ু | ঊ-ূ | ঋ-ৃ | এ-ে |
| ঐ-ৈ | ও-ো | ঔ-ৌ | |

ব্যঞ্জনবৰ্ণমালা (ক-ফলা)

ক খ গ ঘ ঙ

চ ছ জ ঝ ঞ

ট ঠ ড ঢ ণ

ত থ দ ধ ন

প ফ ব ভ ম

য ৰ ল ৱ

শ ষ স হ

ক্ষ ড় ঢ় য়

ৎ ং ঃ ঁ

অধ্যায় ১০

# মেলা আৰু উৎসৱ

## ৰতনপুৰৰ মেলা

**পাঠ - ১**

শুনো আহা—



পূজাৰ বতৰ। ৰতনপুৰত এখন মেলা বহিছে। দেউতাকৰ লগত মিনু আৰু কমল মেলা চাবলৈ গৈছে।



মেলাখনলৈ বহুত মানুহ আহিছিল। চাৰিওফালে বেলুন, মিঠাই, খেলা বস্তুৰে ভৰি থকা দেখি সিহঁতৰ বৰ ভাল লাগিল। দোকানবোৰত থকা বস্তুবোৰ তধা লাগি চাওঁতে চাওঁতে সিহঁত আগুৱাবই নোৱৰা হ'ল।



দেউতাকে দুয়োকে বেলুন কিনি দিলে। জিলাপিও খুৱালে। দেউতাকে ক'লে— "তহঁতে খেলা আৰু খোৱা বস্তুবোৰ পাছত চাবি। মোৰ লগত এতিয়া বেগাই আহ। সেইফালে চাওঁগৈচোন ব'ল, কি চলি আছে।"

ওচৰলৈ গৈ সিহঁতে দেখিলে যে তাত এখন পুতলা নাচ চলি আছে। পুতলাকেইটাই নাচি-বাগি গান গোৱা, কথা পতা দেখি সিহঁত আচৰিত হ'ল। পাছতহে সিহঁতে দেখিলে — পুতলা নচুওৱা মানুহগৰাকীয়ে সূতা, লাঠি আদিৰে পুতলা নচুৱাই আছে। তাকে দেখি সিহঁতৰ বৰ ভাল লাগিল। এগৰাকী মহিলাই পুতলাকেইটা সূতাৰে বান্ধি লাঠি এডালত ওলোমাই দিছে। আঁৰ-কাপোৰৰ সিপাৰে সূতাডাল টনা-টনি কৰি নচুৱাই আছে।





পুতলা নাচ চাই সিহঁত ঘৰলৈ উভতিল। আহোঁতে কমলে ক'লে—"কাপোৰৰ পুতলা সাজি আমাৰ ঘৰতো পুতলা নাচ পাতিম দেই।" দেউতাকেও হয়ভৰ দিলে। ৰতনপুৰৰ মেলা চাবলৈ গৈ সেইদিনা মিনুহঁতে বৰ ৰং পালে।

**কথা পাতোঁ আহা—**

ক) মিনু আৰু কমল ক'লৈ গৈছিল?

খ) মেলাত সিহঁতে কি কি দেখিছিল?

গ) সিহঁতে কি কি কিনিলে?


ঘ) দেউতাকে সিহঁতক মেলাত কি দেখুৱাইছিল?

ঙ) তুমি কেতিয়াবা পুতলা নাচ দেখিছানে? মেলালৈ গ'লে তোমাৰ কি কি আনিবলৈ মন যায় ?


**শিক্ষকলৈ নিৰ্দেশনা ঃ** পাঠটোৰ আধাৰত পাঠৰ ভিতৰৰ আৰু পাঠৰ বাহিৰৰ আন আন (আবদ্ধ আৰু মুক্ত পৰিসৰৰ) প্ৰশ্ন সুধিব।

## প্ৰকল্প ঃ পুতলা সাজোঁ আহা—


১)




২)




৩)




৪)



৫)



৬)



৭)



৮)



**শিক্ষকলৈ নিৰ্দেশনা ঃ** শিকাৰুক ছবিত দিয়া ধৰণে পুতলা সাজিবলৈ উৎসাহিত কৰিব। পুতলা সাজিবৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ হ'ল- কপাহ, কাপোৰৰ টুকুৰা, সূতা, এডাল চুটি কাঠ বা বাঁহৰ মাৰি, কেঁচী, আঠা, ৰং-তুলিকা, ঊণ সূতা। ছবিত দিয়া ক্ৰম অনুসৰি পুতলাটো সঁজাত শিকাৰুক সহায় কৰিব।

পঢ়োঁ আহা —

# মাছুৰৈ ৰংমন



পুখুৰীত পানী        পথাৰত পানী
আকাশত মেঘৰ চাং।
ৰংমন ওলাল        বৰশী বাবলৈ
মাছলৈ পাতিলে পাং।।
বৰশী সূতাত        পুঙা এটা গাঁঠি
পট্‌কৈ পেলালে পানীত।
ক্ষণ বুজি এটা        বহি গুৱালেঙী
আউল লগালে তাত।।
মাছে খুঁটিয়ালে        গুৱালেঙীয়ে নাচে
উঃ, কি যে হাহাকাৰ!
সাউৎ কৰি দিলে        দীঘলীয়া টান
বেঙহে পালেহি পাৰ।।





পঢ়োঁ আহা —

পাৰ চৰাই উৰি গৈ
পালে নদীৰ পাৰ,
ঘৰৰ মূধত পৰি থাকিল
গোটেই শুকুৰবাৰ।

| | |
|---|---|
| পাৰ | পাৰ (অ) |
| বাট | বাত (অ) |
| বাৰ | বাৰ (অ) |
| পল | পল (অ) |

**শিক্ষকলৈ নিৰ্দেশনা ঃ** পদ্যটো অঙ্গ-ভঙ্গীৰে শিশুৰ সৈতে গাব। শিশুক অঙ্গ-ভঙ্গীৰে গাবলৈ দিব।পদ্যটোৰ আধাৰত আলোচনা অনুষ্ঠিত কৰিব।


গাওঁ আহা —

বছৰত ছয় ঋতু
বাৰ মাহত পাবা।
সপ্তাহত সাতদিন
লেখি চাওঁ আহা।।

জানো আহা -

সাতটা বাৰ → দেওবাৰ → সোমবাৰ → মঙ্গলবাৰ → বুধবাৰ → বৃহস্পতিবাৰ → শুক্ৰবাৰ → শনিবাৰ

ছবি দুখনৰ মাজত কি কি অমিল আছে কওঁ আহা —



গাওঁ আহা —



**ৰং ৰং নানা ৰং**
**ক'ত বাৰু পাওঁ,**
**ৰামধেনুত পাওঁ নেকি**
**এবাৰ জুমি চাওঁ।**

**বেঙুনীয়া, ঘন-নীলা,**
**নীলা, সেউজীয়া,**
**হালধীয়া, সুমথিৰা,**
**ৰঙাৰে ধুনীয়া।**


ৰং চিনো আহা—

বেঙুনীয়া    নীলা    ঘননীলা    সেউজীয়া

হালধীয়া    সুমথিৰা    ৰঙা

যাৰ যি ৰং সেই ৰঙেৰে বোলোৱা—





তোমাৰ ওচৰে-পাঁজৰে থকা বস্তুবোৰৰ কোনটোৰ কি ৰং কওঁ আহা।

বি.দ্ৰঃ উক্ত পদ্যটিৰ প্ৰথম স্তৱকটো 'অংকুৰণ-প্ৰথম ভাগ'ৰ ৯১ নং পৃষ্ঠাত থকা পদ্যটোৰ পৰা লোৱা হৈছে।

পাঠ - ২

# বিহু

পঢ়োঁ আহা —

বিহু অসমৰ জাতীয় উৎসৱ। বিহু তিনিটা। ব'হাগ বিহুক ৰঙালী বিহু বোলে। কাতি বিহুক কঙালী বিহু বোলে। মাঘৰ বিহুক বোলে ভোগালী বিহু।



**ব'হাগ বিহুত হুঁচৰি গায়।**



**কাতি বিহুত তুলসীৰ তলত চাকি দিয়ে।**



**মাঘৰ বিহুত মেজি আৰু ভেলাঘৰ সাজে।**

কওঁ আহা —

ক) অসমৰ জাতীয় উৎসৱ কি ?

খ) বিহু কেইটা আৰু কি কি?

গ) কোনটো বিহুত তুলসীৰ তলত চাকি দিয়ে?

ঘ) তোমালোকৰ ঘৰত উৎসৱ পাতিলে তুমি কি কৰা?

ঙ) মাঘ বিহুক আৰু কি বিহু বোলে?

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ছাত্ৰ-ছাত্ৰীৰ লগত বিভিন্ন উৎসৱৰ বিষয়ে আলোচনা কৰিব। কথা পাতোঁতে শিকাৰুৰ ঘৰুৱা ভাষাক গুৰুত্ব দিব।

## পঢ়োঁ আৰু কথা পাতোঁ আহা —




## তলৰ প্ৰশ্নবোৰৰ উত্তৰ কওঁ আহা —

ক) বান্দৰটোৱে কি কৈছে?

খ) বেলুন কোনে লৈছে?

গ) “বাঃ কিমান ওপৰলৈ যায়!” বুলি কোনে কৈছে?

## চকৰিটোত উঠা জন্তুবোৰৰ নাম কওঁ আহা —

ক) সিংহ খ) বান্দৰ

গ) শহাপহু ঘ) মেকুৰী

ঙ) ঘঁৰিয়াল চ) ভালুক

ছবি চাই পঢ়োঁ আহা —



ম'ৰা




ল'ৰা



ম'হ



শ'ল



ৰে'ল-গাড়ী



ক'লা জামু

পঢ়োঁ আহা —

য'ত    ত'ত    ক'ত    ৰ'দ

ব'ল    গ'ল    ল'ৰা    ক'লা    ল'ৰালি    ৰ'দালি

ৰহিমলাই মূৰত এটা মাছৰ পাচি লৈ গৈ আছিল। চিলনী এটাই উৰি উৰি ৰং মনে চাই আছিল। চিলনীটোৱে শ'ল মাছ এটা থাপ মাৰি লৈ গ'ল। শ'ল মাছটোৱে ধৰ্ফৰ্ কৰি আছিল। চিলনীটোৰ ঠেঙৰ পৰা শ'লটো এৰা খাই খালত পৰি গ'ল। পানী পাই শ'লটোৱে ৰং মনে নাচিবলৈ ধৰিলে।

**শিক্ষকলৈ নিৰ্দেশনা ঃ** ওপৰৰ 'অ'-ধ্বনিযুক্ত শব্দ আৰু 'অ' ধ্বনিবিহীন শব্দৰ মাজত উচ্চাৰণ আৰু অৰ্থ কেনেকৈ সলনি হয়, বুজাই দিব আৰু তেনেকুৱা শব্দবোৰৰ ব্যৱহাৰ আৰু অনুশীলন কৰিবলৈ দিব।

করোঁ আহা —

কাষত দিয়া 'পখিলাৰ মেল' কিতাপখনৰ বেটুঁপাতটো তুমি নিজে ভাবি অংকন কৰা।




কোনবিধ সংকেতে কি বুজায় কওঁ আহা —


















তোমাৰ শিকনকোণৰ পৰা ভালপোৱা সাধুপুথি চাই তিনিখন সাধুপুথিৰ নাম লিখোঁ আহা —

..........................................................................................................

..........................................................................................................


**শিক্ষকলৈ নিৰ্দেশনা ঃ** লিখাৰ ক্ষেত্ৰত অধিক অনুশীলনৰ বাবে টোকাবহী ব্যৱহাৰ কৰিবলৈ দিব।

# শিকন ফলাফল

- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব; কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত/পদ্য গাব/আবৃত্তি কৰিব পাৰিব।
- কথা-বতৰাত লিপ্ত হ'ব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত উচ্চস্বৰে পঢ়া পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত জড়িত হ'ব আৰু নিজৰ অভিজ্ঞতাৰ পৰা আৰ্জিত জ্ঞানৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- কেইবাটাও পদক্ষেপেৰে গঠিত নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (এটা সময়ত ৮-৯ টা নিৰ্দেশনা)
- কেইবাটাও পদক্ষেপেৰে গঠিত নিৰ্দেশনা দিব পৰা। (এটা সময়ত ৮-৯ টা নিৰ্দেশনা)
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰৰে নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- ছবি আৰু পাঠৰ পৰা নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- পঢ়ি ভালপোৱা কিতাপৰ কথা ক'ব পাৰিব আৰু কিতাপ পঢ়াৰ অভ্যাস গঢ়ি উঠিব।
- বহু শব্দাংশ যুক্ত শব্দ পঢ়িব পাৰিব। (ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি)
- ছবিৰ সহায়ত বা ছবি নোহোৱাকৈ থকা পাঠ পঢ়িবলৈ আৰম্ভ কৰিব।
- শিক্ষকে কোৱা বা পঢ়া অপৰিচিত সাধু/কাহিনী শুনি বুজি পাব।
- শব্দ আৰু চুটি বাক্যৰে ছবি কাৰ্ড চাই বৰ্ণনা কৰিব পাৰিব।

# পুনৰালোচনা

## ✐ ছবিৰ নামবোৰ আঁচ টানি মিলোৱা —





| সিংহ | নাঙল | বৃক্ষ |
|---|---|---|

খালী ঠাইত উপযুক্ত আখৰ লিখি শব্দ সাজোঁ আহা —

টি ..... ট.....    ৰ ..... ঘৰ    না ..... ল    বে ..... নীয়া

উ ..... সৱ    মহ .....    হঠা .....    বৃ .....

পঢ়োঁ আহা —


টিংখং    জংচন    বৃক্ষ    শিক্ষক

মহৎ    শৰৎ    নিঃকিন    দুঃসহ

খঙাল    ৰঙিয়াল    ঘূৰণীয়া    সমূহীয়া

বাটৰ কাষত এজোপা বৃক্ষ আছে। তাৰ খোৰোঙত এজনী চৰায়ে বাহ সাজিছে। হঠাৎ খোৰোংটোৰ পৰা চৰাইজনী উৰি গ'ল। চৰাইজনী বাৰু ক'লৈ গ'ল ?

তলৰ ছবিখনত ৰং কৰোঁ আহা —



# প্ৰথম শ্ৰেণীৰ প্ৰথম-ভাষা অসমীয়াৰ অৰ্হতা আৰু শিকন-ফলাফলসমূহ

## অৰ্হতা

- সহজ গীত আৰু পদ্য শুনি গাব/আবৃত্তি কৰিব পাৰিব।
- সহজ গীত আৰু পদ্য নিজাববীয়াকৈ সৃষ্টি কৰিব পাৰিব।
- সাৱলীলভাবে আৰু অৰ্থপূৰ্ণভাৱে কথা পাতিব পাৰিব।
- জটিল কামৰ বাবে দিয়া মৌখিক নিৰ্দেশনা বুজি পাব আৰু একে কামৰ বাবে স্পষ্ট মৌখিক নিৰ্দেশনা দিব পাৰিব।
- পঢ়ি শুনোৱা/বৰ্ণনা কৰা, সাধু/গল্প বুজি পাব আৰু চৰিত্ৰবোৰৰ বিষয়ে ক'ব পাৰিব। লিখিত পাঠ আৰু ছবিপাঠৰ জৰিয়তে কি ক'ব বিচৰা হৈছে সেইটো বুজি পাব আৰু ঘটনাক্ৰম চিনাক্ত কৰিব পাৰিব।
- স্পষ্ট পটভূমি আৰু চৰিত্ৰৰে চুটি সাধু/গল্প/ক'ব বৰ্ণনা কৰিব পাৰিব।
- ফলপ্ৰসূভাৱে দৈনন্দিন বাৰ্তালাপ কৰিব পৰাকৈ শব্দ জানি ব্যৱহাৰ কৰিব পাৰিব আৰু জনা শব্দাৱলীৰ সহায়ত নতুনকৈ পোৱা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষাৰ অসমীয়াৰ ধ্বনি-সচেতনতাৰ/ধ্বনি-সজাগতাৰ বিকাশ হ'ব আৰু অক্ষৰ/আখৰ লগ লগাই শব্দ গঠন আৰু শব্দ ভাঙি আখৰ/ অক্ষৰ উলিয়াই দেখুৱাব পাৰিব।
- কিতাপখনৰ মূল গঠন বুজি পাব, ছপা আকাৰত শব্দৰ ধাৰণা আৰু কোনটো দিশত ছপা হৈছে আদি বুজিব পাৰিব আৰু লগতে যতি-বিৰাম চিহ্নৰ ব্যৱহাৰ জানিব।
- দুয়োখন ফলাৰ বৰ্ণমালাৰ সকলো বৰ্ণ/আখৰ চিনি পাব আৰু শব্দ পঢ়িব আৰু লিখিবৰ বাবে সেই জ্ঞান ব্যৱহাৰ কৰিব পাৰিব।
- চুটি সাধু, গল্প/কাহিনী পঢ়িব পাৰিব আৰু পঢ়ি বুজি পাব-চৰিত্ৰসমূহ চিনাক্ত কৰিব পাৰিব, ঘটনাৰ ক্ৰম বুজিব পাৰিব।
- গীত/পদ্য পঢ়িব পাৰিব আৰু ব্যৱহৃত শব্দ চয়ন আৰু কাল্পনিক দৃষ্টিকোণৰ প্ৰতি আকৃষ্ট হ'ব।
- কিতাপ পঢ়িবলৈ আগ্ৰহী হ'ব আৰু বিভিন্ন ধৰণৰ শিশু-সাহিত্য পঢ়িব পাৰিব।

## শিকন-ফলাফলসমূহ

- দীঘলীয়া (৪-৮ টা শাৰী) গীত/পদ্য (অচিনাকি) মনোযোগেৰে শুনিব; কথা-বতৰা পাতিব আৰু সেইবোৰৰ বিষয়ে প্ৰশ্ন কৰিব পাৰিব।
- দীঘলীয়া (১০ টা শাৰী) গীত /পদ্য গাব/আবৃত্তি কৰিব পাৰিব।
- শিক্ষকৰ সহায়ত চুটি পদ্য সাজিব পাৰিব।
- কথা-বতৰাত অংশগ্ৰহণ কৰিব, নিজৰ কোৱাৰ পাললৈ অপেক্ষা কৰিব আৰু আনক ক'বলৈ সুযোগ দিব পাৰিব।
- শ্ৰেণীকোঠাত শিক্ষকে কৰা সৰৱ পঠনৰ পৰা পাঠৰ বিষয়বস্তুৰ সন্দৰ্ভত আলোচনাত অংশগ্ৰহণ কৰিব আৰু নিজৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিবলৈ সক্ষম হ'ব।
- কেইবাটাও পদক্ষেপেৰে গঠিত নিৰ্দেশনা অনুসৰণ কৰিব পাৰিব। (এটা সময়ত ৮-৯ টা নিৰ্দেশনা)
- কেইবাটাও পদক্ষেপেৰে গঠিত নিৰ্দেশনা দিব পাৰিব। (এটা সময়ত ৮-৯ টা নিৰ্দেশনা)
- শুনা কাহিনী বা সাধুৰ পটভূমি বুজি কাহিনীত থকা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব। কাহিনীটো নিজৰ ভাষাৰে ক'ব পাৰিব।
- সহজ পটভূমি আৰু চৰিত্ৰৰে নিজাকৈ কাহিনী সাজি ক'ব পাৰিব।
- ছবি আৰু পাঠৰ পৰা নজনা শব্দৰ অৰ্থ অনুমান কৰিব পাৰিব।
- প্ৰথম ভাষা(L1, অসমীয়া)ৰ ধ্বনি সম্পৰ্কে শিকিব পাৰিব। লগতে ধ্বনি যোগ কৰি শব্দ গঠন কৰিবলৈ শিকিব আৰু শব্দ ভাঙি ধ্বনিবোৰ উলিয়াব পাৰিব।
- বহু শব্দাংশযুক্ত শব্দ পঢ়িব পাৰিব। (ব্যঞ্জনবৰ্ণৰ মণ্ডলকে ধৰি)
- ছবিৰ সহায়ত বা ছবি নোহোৱাকৈ থকা পাঠ পঢ়িব পাৰিব।
- শিক্ষকৰ সহায়ত অপৰিচিত সাধু/কাহিনী পঢ়ি বুজি পাব।
- শিক্ষকৰ সহায়ত অপৰিচিত সাধু/কাহিনী পঢ়ি কাহিনীৰ পটভূমি আৰু চৰিত্ৰ চিনাক্ত কৰিব পাৰিব।
- বৰ্ণমালাৰ আখৰসমূহ আৰু স্বৰচিহ্নসমূহ চিনাক্ত কৰিব পাৰিব আৰু সংশ্লিষ্ট ধ্বনিৰ সৈতে সংযোগ কৰিব পাৰিব।
- চুটি পদ্য পঢ়িব আৰু কবিতাৰ আক্ষৰিক অৰ্থ বৰ্ণনা কৰিব পাৰিব।
- খেলৰ সহজ নিৰ্দেশনা পঢ়ি বুজি পাব আৰু দলত খেলিব পাৰিব।
- ঘটনাৰ ক্ৰমত ছবি সজাব পাৰিব আৰু ছবিৰ বিষয়ে সহজ বাক্য লিখিব পাৰিব।
- শব্দ আৰু বাক্যৰ জৰিয়তে ছবিৰ বৰ্ণনা কৰিব পাৰিব।
- পঢ়ি ভালপোৱা কিতাপৰ কথা ক'ব পাৰিব আৰু সঘনাই কিতাপ পঢ়িব।

# ভাষাৰ পাঠ্যপুথি 'ঝংকাৰ' (প্ৰথম ভাগ)ৰ লগত জড়িত ব্যক্তিসকল

E9I8L9

**উপদেষ্টা ঃ**

**ড° নিৰদা দেৱী, সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

**সমল ব্যক্তি ঃ**

জয়ন্ত মজুমদাৰ, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী
প্ৰাণেশ্বৰ গোস্বামী, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ, মিৰ্জা
ড° নাচিফা ইচলাম, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও
চুনুমণি ডেকা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও
ড° মধুমিতা চেতিয়া, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শিৱসাগৰ
প্ৰিয়ংকা বৰগোহাঁই, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
মিজানুৰ ৰহমান, সহকাৰী শিক্ষক, ২২৩৪ নং গুটিপাৰা এল.পি. স্কুল, বিলাসীপাৰা, ধুবুৰী
আবুল কাসিম তপাদাৰ, সহকাৰী শিক্ষক, ৭৬৯ নং অকুমাৰী প্ৰাথমিক বিদ্যালয়, কৰিমগঞ্জ
দীপজ্যোতি চহৰীয়া, প্ৰধান শিক্ষক, ১৯৫৯ নং দক্ষিণ বাহিৰ ছুৱাপাতা প্ৰাঃ বিদ্যালয়, বিলাসীপাৰা, ধুবুৰী
চৈয়দ আব্দুৰ ৰছিদ চৌধুৰী, সহকাৰী শিক্ষক, আনন্দৰাম উচ্চ বুনিয়াদী বিদ্যালয়, কামৰূপ মহানগৰ
মল্লিকা দত্ত, সহকাৰী শিক্ষয়িত্ৰী, চিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়, তেজপুৰ, শোণিতপুৰ
নিজু ৰাভা গগৈ, সহকাৰী শিক্ষয়িত্ৰী, পূব জালনি প্ৰাথমিক বিদ্যালয়, ডিব্ৰুগড়
চম্পক কুমাৰ নাথ, খণ্ড সমল ব্যক্তি, ভৱানীপুৰ শিক্ষাখণ্ড, বৰপেটা
তৃষ্ণামণি ডেকা, সহকাৰী শিক্ষয়িত্ৰী, গোসাইবড়ি মধ্য ইংৰাজী বিদ্যালয়, নগাঁও
কন্দৰ্প চহৰীয়া, সহকাৰী শিক্ষক, ২২৪৩ নং ছাতাপাৰা প্ৰাথমিক বিদ্যালয়, ধুবুৰী
পাৰ্থজ্যোতি বৰুৱা, সহকাৰী শিক্ষক, চেগুনবাৰী ২ নং ডিব্ৰুজান প্ৰাথমিক বিদ্যালয়, তিনিচুকীয়া
পিয়ানু বৰুৱা, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**পুনৰীক্ষক ঃ**

ড° লীলাৱতী শইকীয়া বৰা, অৱসৰী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° দীপ্তি ফুকন পাটগিৰি, অৱসৰী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
গৌৰীকান্ত ভূঞা, অৱসৰী প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী
নীল শৰ্মা, অৱসৰী প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা অধ্যয়ন প্ৰতিষ্ঠান, গুৱাহাটী
ড° যুতিফুল বৰুৱা, অৱসৰী উপ সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী
ড° দীপামণি হালৈ মহন্ত, সহযোগী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বিন্দু ভূষণ বৰা, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, কমাৰ্চ কলেজ, কোকৰাঝাৰ, অসম
জয়ন্ত মজুমদাৰ, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী, অসম


| সমন্বয়ক | অলংকৰণ | ডি.টি.পি. |
|---|---|---|
| পিয়ানু বৰুৱা, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম | শংকৰ কলিতা, চিত্ৰশিল্পী, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম<br>জয়ন্ত শৰ্মা, ডিজাইনাৰ, গুৱাহাটী | হৃদিকেশ দাস<br>আশুলিপিকাৰ, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়<br>সীমা নন্দী, সংগীতা ৰহাং, অম্বিকা দত্ত |

# প্ৰাকৃতিক দুৰ্যোগৰ পৰা হাত সাৰিবলৈ প্ৰস্তুতি

## ভূমিকম্প হোৱাৰ সময়ত-



মুকলি ঠাইত থাকিলে শুই দিব লাগে।



ঘৰৰ ভিতৰত থাকিলে বিছনা বা মেজৰ তলত আশ্ৰয় ল'ব লাগে।



বিদ্যালয়ৰ ভিতৰত থাকিলে বেঞ্চ বা মেজৰ তলত
আশ্ৰয় লৈ খুঁটাত খামুচি ধৰি থাকিব লাগে।




পেলনীয়া বস্তু ডাষ্টবিন বা গাঁতত পেলাব লাগে।
ঘৰ বা স্কুল পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰি আৰু চৌপাশ পৰিষ্কাৰ কৰাৰো প্ৰয়োজন।

**বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ**